মৃদুলৰ পৰিয়াললৈ কংগ্ৰেছৰ ৫ লাখ টকা
ই-সংবাদ, ২৩ ডিচেম্বৰঃ কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে ৰাজ্যসভাত বাবাচাহেব আম্বেদকাৰক ৩ পৃষ্ঠাত চাওক

www.newsnextone.com
# e সংবাদ

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS
TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

TUESDAY, DECEMBER 24, 2024 ■ মঙলবাৰ, ৮ পুহ, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ প্ৰথম বছৰ, সংখ্যা ৩৫১ Guwahati, Assam ।। মূল্যঃ এটকা


বৰদিনৰ প্ৰাকক্ষণত শিশু যীশুৰ চৰণ স্পৰ্শ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ

### কৃষকৰ দান-বৰঙণিৰে নিৰ্মাণ কৰিছিল ‘মন্থন’

## প্ৰসিদ্ধ ছবি নিৰ্মাতা শ্যাম বেনেগাল আৰু নাই



**মুম্বাই, ২৩ ডিচেম্বৰঃ** হেৰাই গ'ল এটা নক্ষত্ৰ! চিনেমাৰ জৰিয়তে সমাজৰ গভীৰ সত্তাক মূৰ্ত কৰি তোলা প্ৰবাদপ্ৰতিম পৰিচালক শ্যাম বেনেগাল আৰু নাই। সোমবাৰে ৯০ বছৰ বয়সত মুম্বাইস্থিত নিজৰ বাসগৃহত শেষ নিশ্বাস ত্যাগ কৰে কিংবদন্তি ছবি পৰিচালকগৰাকীয়ে। শেষাংশ ২ পৃষ্ঠাত

### উজনিত কংগ্ৰেছ-অজাপক গালি দি অহা শিৱসাগৰৰ বিধায়কে নামনিত সলালে সুৰ

# অখিল গগৈৰ মুখত আকৌ বিৰোধী ঐক্য জিন্দাবাদ শ্ল'গান!



ই-সংবাদ, ২৩ ডিচেম্বৰঃ **মাইনৰিটি বেল্টত অখিল গগৈৰ দল ৰাইজৰ দলে প্ৰচাৰ অব্যাহত ৰাখিছে। বিৰোধী কংগ্ৰেছ আৰু এআইইউডিএফ দলৰ ভেটি শক্তিশালী হৈ থকা সমষ্টিসমূহত** শেষাংশ ৩ পৃষ্ঠাত

### স্বাস্থ্যৰ অৱনতি কৃষক নেতা জগজিৎ সিং দলেৱালৰ



**নতুন দিল্লী, ২৩ ডিচেম্বৰঃ** হঠাৎ যিকোনো সময়তে হৃদযন্ত্ৰৰ ক্ৰিয়া বন্ধ হৈ পৰিব শেষাংশ ২ পৃষ্ঠাত

### দেশৰ ১২০টা স্থানত একেলগে সংবাদমেল

## আম্বেদকাৰক লোকসভাত অপমান! চৰকাৰৰ বিৰুদ্ধে সমগ্ৰ দেশত কংগ্ৰেছৰ প্ৰতিবাদ

**গুৱাহাটী, ২৩ ডিচেম্বৰঃ** দেশৰ সংবিধান আৰু সংবিধান প্ৰণেতা ভীমৰাও বাবাচাহেব আম্বেদকাৰক অপমান কৰা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ পদত্যাগৰ দাবীত আজি দেশৰ ১২০টা স্থানত কংগ্ৰেছৰ সাংসদ আৰু শেষাংশ ৪ পৃষ্ঠাত



### ভাৰতলৈ প্ৰেৰণ পত্ৰ

## হাছিনাক লাগে ঢাকাক


**ঢাকা, ২৩ ডিচেম্বৰঃ** চৰকাৰ পতনৰ পিছত দেশ এৰি ভাৰতত আশ্ৰয় লৈ থকা বাংলাদেশৰ প্ৰাক্তন শেষাংশ ২ পৃষ্ঠাত

## পঞ্চম-অষ্টমত পুনৰ পাছ-ফেইল

**নতুন দিল্লী, ২৩ ডিচেম্বৰঃ** পঞ্চম আৰু অষ্টম শ্ৰেণীত পুনৰ প্ৰৱৰ্তন কৰা হৈছে পাছ-ফেইল। কেন্দ্ৰীয় শিক্ষা মন্ত্ৰালয়ে এক নতুন অধিসূচনাযোগে শেষাংশ ৩ পৃষ্ঠাত

## ২০২৫ বৰ্ষক ‘কিতাপৰ বৰ্ষ’ হিচাপে পালন কৰিবলৈ সিদ্ধান্ত হিমন্ত কেবিনেটৰ

**ই-সংবাদ, ২৩ ডিচেম্বৰঃ** আজি উজনি অসমৰ ডিব্ৰুগড় জিলাৰ সদৰত প্ৰথমবাৰ হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন কেবিনেট বৈঠক



অনুষ্ঠিত হয়। ডিব্ৰুগড়ৰ নৱ-নিৰ্মিত সচিবালয়ত অনুষ্ঠিত কেবিনেট বৈঠকত কেইবাটাও সিদ্ধান্ত গ্ৰহণ শেষাংশ ৩ পৃষ্ঠাত

### ডিব্ৰুগড়ত মুখ্যমন্ত্ৰীৰ ভাষণ

## চান্দা সংস্কৃতি এৰিবলৈ আহ্বান

**ই-সংবাদ, ডিব্ৰুগড়, ২৩ ডিচেম্বৰঃ** চান্দা-আন্দোলন মানসিকতা এৰিব লাগে। শিক্ষাৰ জৰিয়তে জগত জিনাৰ শেষাংশ ৪ পৃষ্ঠাত

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# প্ৰসিদ্ধ ছবি নিৰ্মাতা শ্যাম বেনেগাল

তেওঁৰ বিয়োগত ভাৰতীয় চলচ্চিত্ৰ জগতত এক অপূৰণীয় শূন্যতা সৃষ্টি হৈছে। উল্লেখ্য যে, চাৰি দশকৰো অধিক সময় ধৰি শ্যাম বেনেগালে নিজৰ বাস্তৱিক কাহিনী, সমাজৰ তীক্ষ্ণ বিশ্লেষণ, শিল্পৰ প্ৰতি নিৰ্দোষ দৃষ্টিভংগীৰে ভাৰতীয় চিনেমাক সমৃদ্ধ কৰি আহিছিল। শ্যাম বেনেগালক ভাৰতীয় সমান্তৰাল চিনেমাৰ অন্যতম পথিকৃৎ হিচাপে গণ্য কৰা হয়। মূলসুঁতিৰ চিনেমাৰ বাহিৰেও তেওঁৰ এই কৰ্মই গভীৰ প্ৰভাৱ পেলাইছে। সমাজৰ প্ৰান্তীয় লোকসকলৰ জীৱন, তেওঁলোকৰ সংগ্ৰাম, মানসিক সংঘাতৰ ওপৰত গুৰুত্ব আৰোপ কৰি ভাৰতীয় চিনেমাৰ ইতিহাসৰ মাইলৰ খুঁটি হিচাপে পৰিগণিত হোৱা ছবি নিৰ্মাণ কৰিছে বেনেগালে। তেওঁৰ মতে চিনেমা কেৱল মনোৰঞ্জনৰ বাবেই নহয়, সমাজৰ মুখ আৰু মানসিকতা সলনি কৰিবলৈ সক্ষম এক শক্তিশালী মাধ্যম। মন্থন নামৰ ছবিখন তেওঁ ৫ লাখ খেতিয়কৰ প্ৰত্যেকৰে পৰা এটকা-দুটকাকৈ সংগ্ৰহ কৰি নিৰ্মাণ কৰিছিল। চিনেমাখন চাবলৈ কৃষকসকলে ট্ৰেক্টৰত উঠি হললৈ গৈছিল। বেনেগালৰ প্ৰথমখন উল্লেখযোগ্য ছবি 'অংকুৰ' (১৯৭৩)য়ে সমসাময়িক সমাজত নাৰীৰ মৰ্যাদা আৰু প্ৰান্তীয় লোকৰ জীৱনক চিত্ৰিত কৰি দৰ্শক আৰুসমালোচকৰ হৃদয় জিনিছিল। তাৰ পাছত 'নিশান্ত' (১৯৭৫), 'মন্থন' (১৯৭৬), আৰু 'ভূমিকা' (১৯৭৭) আদি ছবিয়ে তেওঁৰ সৃষ্টিশীল প্ৰতিভাৰ সাক্ষ্য দিছিল। বিশেষকৈ ভাৰতৰ শ্বেত বিপ্লৱৰ প্ৰেক্ষাপটত সৃষ্টি কৰা 'মন্থন'ত কৃষকৰ কাহিনী অতি বাস্তৱসন্মত আৰু মানৱীয় ৰূপত উপস্থাপন কৰা হৈছিল। কিন্তু কেৱল অতীতৰ মাজতে সীমাবদ্ধ নাছিল বেনেগালৰ সৃষ্টি। 'মাম্মো' (১৯৯৪) আৰু 'চৰ্দাৰী বেগম' (১৯৯৬) আদি আধুনিক চিনেমাতো তেওঁ সমাজৰ গভীৰ বাস্তৱতাক সংবেদনশীলভাৱে চিত্ৰিত কৰিছে। তেওঁৰ আন এখন উল্লেখযোগ্য ছবি হ'ল 'জুবাইদা' (২০০১), য'ত এগৰাকী নাৰীয়ে সমাজত স্বাধীনতাৰ সন্ধান আৰু ব্যক্তিগত প্ৰয়োজনৰ মাজৰ সংঘাতৰ কাহিনী বৰ্ণনা কৰা হৈছে। প্ৰণিধানযোগ্য যে, চাৰি দশকীয় কৰ্মজীৱনত ১৮টা ৰাষ্ট্ৰীয় বঁটাৰে সন্মানিত কৰা হয় শ্যাম বেনেগালক। ১৯৭৬ চনত পদ্মশ্ৰী আৰু ১৯৯১ চনত পদ্মভূষণ বঁটা প্ৰদানেৰেতেওঁৰ কামক স্বীকৃতি প্ৰদান কৰে ভাৰত চৰকাৰে। ইয়াৰ উপৰিও ভাৰতীয় চিনেমাৰ সৰ্বোচ্চ সন্মান দাদাচাহেব ফাল্কে বঁটাৰে তেওঁক সন্মানিত হৈছে। অন্যহাতে, শ্যাম বেনেগালৰ অৱদান কেৱল চলচ্চিত্ৰ নিৰ্মাণত সীমাবদ্ধ নাছিল। টেলিভিছনৰ বাবেও তেওঁ কেইবাটাও কাম কৰিছে। বিশেষকৈ ভাৰতীয় উপমহাদেশৰ ইতিহাসৰ আধাৰত নিৰ্মিত তেওঁৰ ধাৰাবাহিক 'ভাৰত এক খোজ'য়ে ভাৰতীয় দৰ্শকৰ হৃদয়ত গভীৰ ছাপ পেলাইছে। বেনেগালৰ শিল্পৰ প্ৰতি থকা আকৰ্ষণে তেওঁক কেৱল পৰিচালক হিচাপেই নহয়, এজন দাৰ্শনিক আৰু চিন্তাবিদ হিচাপেও প্ৰতিষ্ঠা কৰিছে। কেৱল ভাৰততে নহয়, আন্তঃৰাষ্ট্ৰীয় পৰ্যায়তো তেওঁৰ এই কামৰ প্ৰশংসা লাভ কৰিছে। শ্যাম বেনেগালৰ বিয়োগৰ খবৰে মৰ্মাহত কৰিছে তেওঁৰ অনুৰাগী আৰু সমগ্ৰ ছবি জগতখনক। বেনেগালৰ বিয়োগত শোক প্ৰকাশ কৰিছে প্ৰধানমন্ত্ৰীকে ধৰি দেশৰ ৰাজনীতি, ছবি, শিল্প ক্ষেত্ৰৰে জড়িত বিভিন্নজনে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# স্বাস্থ্যৰ অৱনতি কৃষক নেতা জগজিৎ সিং

পাৰে নিজৰ অধিকাৰৰ দাবীৰে 'আমৰণ অনশন' কৰি থকা পঞ্জাৱৰ কৃষক নেতা জগজিৎ সিং দলেৱালৰ। সোমবাৰে ২৮ দিন অতিক্ৰম কৰিছে কৃষক নেতাগৰাকীৰ অনশন ধৰ্মঘটে। এই সময়ছোৱাত তেওঁৰ স্বাস্থ্য দ্ৰুতগতিত অৱনতি ঘটিছে। চিকিৎসকৰ মতে, দলেৱালৰ হৃদযন্ত্ৰ আৰু অন্যান্য অংগসমূহ যিকোনো সময়তে বিকল হ'ব পাৰে। বিগত ২৮ দিনীয়া অনশনৰ ফলত ক্ষতি হৈছে দলেৱাৰৰ স্নায়ুতন্ত্ৰৰ। ইয়াৰোপৰি ৰক্তচাপৰ উঠা-নমা, শৰীৰত প্ৰটিন আৰু তৰল পদাৰ্থৰ যথেষ্ট অভাৱ ঘটিছে। চিকিৎসকৰ পৰ্যবেক্ষণ অনুসৰি বৰ্তমান তেওঁৰ আই চি ইউ পৰ্যায়ৰ চিকিৎসাৰ প্ৰয়োজন। উল্লেখ্য যে, কৃষি সামগ্ৰীৰ ন্যূনতম সমৰ্থন মূল্য, কৃষি ঋণ ৰেহাই, কৃষকৰ পেঞ্চন আৰু বিদ্যুতলৰ বিল বৃদ্ধি নকৰা আদি দাবীৰে যোৱা ১৩ ফেব্ৰুৱাৰীৰ পৰা পঞ্জাৱ আৰু হাৰিয়ানা সীমান্তত ধৰ্ণা দি আহিছে অন্নদাতা কৃষকসকলে। আনহাতে কৃষক নেতা জগজিৎ সিং দলেৱালৰ এই 'আমৰণ অনশনে' কৃষকৰ আন্দোলনত জগাইছে নতুন উদ্দীপনা। যোৱা সপ্তাহত উচ্চতম ন্যায়ালয়ে কৃষকসকলক তেওঁলোকৰ দাবী শুনানিৰ আশ্বাস দিলেও দলেৱালে অনশন ভংগ কৰিবলৈ অস্বীকাৰ কৰে। আদালতে পঞ্জাৱ চৰকাৰক তেওঁৰ প্ৰয়োজনীয় চিকিৎসা সুনিশ্চিত কৰিবলৈ নিৰ্দেশ দিয়ে। কিন্তু অনশন স্থানৰ পৰা স্থানান্তৰিত হ'বলৈ অস্বীকাৰ কৰিছে দলেৱালে। এই সময়ত তেওঁৰ শৰীৰৰ কিট'নৰ মাত্ৰা ৬.৯ত উপনীত হৈছে, যিটো স্বাভাৱিকতকৈ ২৫ শতাংশ বেছি। কৃষক নেতা সুৰজিৎ সিং ফুলে কয় যে যদি দলেৱালক বলপূৰ্বকভাৱে আঁতৰাবলৈ চেষ্টা কৰা হয় তেন্তে পৰিস্থিতি ৰক্তাক্ত হৈ পৰিব পাৰে বুলি আশংকা কৰা হৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# হাছিনাক লাগে ঢাকাক

প্ৰধানমন্ত্ৰী শ্বেখ হাছিনাক ওভতাই বিচাৰি দিল্লীলৈ পত্ৰ প্ৰেৰণ কৰিছে ঢাকাই। সোমবাৰে বাংলাদেশৰ অন্তৰ্বৰ্তীকালীন চৰকাৰৰ বৈদেশিক পৰিক্ৰমা উপদেষ্টা তৌহিদ হোছেইনে কয় যে প্ৰাক্তন প্ৰধানমন্ত্ৰী শ্বেখ হাছিনাক বিচাৰৰ সন্মুখীন কৰোৱাৰ বাবে ভাৰতক আনুষ্ঠানিক অনুৰোধ জনোৱা হৈছে। হাছিনাক ওভতাই বিচাৰি দিল্লীলৈ নোট ভাৰবাল' (কূটনৈতিক বাৰ্তা)ও প্ৰেৰণ কৰা হৈছে বুলিও জানিবলৈ দিয়ে বৈদেশিক পৰিক্ৰমা উপদেষ্টাগৰাকীয়ে। উল্লেখ্য যে, কোটা সংস্কাৰ আন্দোলন আৰু বৈষম্যৰ বিৰুদ্ধে ছাত্ৰ আন্দোলনৰ পৰিপ্ৰেক্ষিতত ৫ আগষ্টত পতন ঘটিছিল আৱামি লীগ চৰকাৰ। তাৰ পিছত তেতিয়াৰ প্ৰধানমন্ত্ৰী শ্বেখ হাছিনাই দেশ এৰি ভাৰতত আশ্ৰয় লয়। তেওঁৰ বিৰুদ্ধে একাধিক গোচৰো ৰুজু কৰা হৈছে। ছাত্ৰ নেতা ছাইদুৰ ৰহমানৰ হত্যাকে ধৰি মুঠ ২৩৩টা গোচৰ ৰুজু হৈছে, ইয়াৰে ১৯৮টা হত্যাৰ অভিযোগ। ইতিমধ্যে আন্তঃৰাষ্ট্ৰীয় অপৰাধ ন্যায়াধিকৰণে হাছিনাকে ধৰি ১৪৩জন লোকৰ বিৰুদ্ধে গ্ৰেপ্তাৰী পৰোৱানা জাৰি কৰিছে। অন্তৰ্বৰ্তীকালীন চৰকাৰৰ মুখ্য উপদেষ্টা মহম্মদ ইউনুছে শেহতীয়াকৈ কয় যে মানৱতাৰ বিৰুদ্ধে অপৰাধৰ অভিযোগত অভিযুক্ত শ্বেখ হাছিনাৰ বিৰুদ্ধে আদালতে ৰায় ঘোষণা কৰাৰ পিছত প্ৰত্যাৰ্পণ চুক্তিৰ অধীনত তেওঁক ঘূৰাই অনাৰ প্ৰচেষ্টা চলোৱা হ'ব। ইয়াৰ মাজতে ৰেড কৰ্ণাৰ জাননী জাৰি কৰিবলৈ ইন্টাৰপললৈ অনুৰোধ কৰা হৈছে। এনে পৰিস্থিতিত ভাৰতত হাছিনাক আশ্ৰয় প্ৰদানৰ ফলত বাংলাদেশ-ভাৰত কূটনৈতিক সম্পৰ্কত জটিলতাৰ সৃষ্টি হৈছে। শেহতীয়াকৈ ভাৰতৰ বৈদেশিক সচিব বিক্ৰম মিশ্ৰীৰ ঢাকা ভ্ৰমণৰ জৰিয়তে দুয়োখন দেশৰ সম্পৰ্ক উন্নত কৰাৰ প্ৰয়াস আছিল। কিন্তু ভাৰতীয় পক্ষই এই কথাও উল্লেখ কৰিছে যে শ্বেখ হাছিনাৰ ভাৰ্চুৱেল বাৰ্তাত ইউনুছ প্ৰশাসনৰ সমালোচনা নতুন দিল্লীৰ বাবে গ্ৰহণযোগ্য নহয়। এনেদৰে এতিয়া দুয়ো দেশৰ সম্পৰ্ক অধিক জটিল হৈ পৰা দেখা গৈছে।

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS : TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

প্ৰথম পৃষ্ঠাৰ পৰা...

# অখিল গগৈৰ মুখত আকৌ বিৰোধী

অখিল গগৈয়ে ব্যাপক প্ৰচাৰ চলাই থকাৰ সময়তে এইবাৰ মধ্য অসম আৰু নামনি অসমৰ মাইনৰিটি বেল্টত নামি পৰিছে ৰাইজৰ দলৰ সভাপতি তথা শিৱসাগৰৰ বিধায়ক অখিল গগৈ। আজি ধুবুৰী জিলাৰ চাপৰৰ ফলিমাৰী মধ্য ইংৰাজী বিদ্যালয়ৰ খেলপথাৰত কৃষক মুক্তি সংগ্ৰাম সমিতিৰ এখন গণ সমাৰেশত অংশ গ্ৰহণ কৰি অখিল গগৈয়ে বিজেপি দল আৰু মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক তীব্ৰ আক্ৰমণ কৰে। অখিল গগৈয়ে ২০২৬ চনত বিজেপি চৰকাৰখনক ব্ৰহ্মপুত্ৰত দলিয়াই দিয়াৰ সংকল্প লয়। বদৰুদ্দিন আজমলক ব্ৰহ্মপুত্ৰত দলিয়াই দিম। চাচা আৰু মামাক ব্ৰহ্মপুত্ৰত দলিয়াই দিম। এনেদৰে ৰাজহুৱা সভাত উদাত্ত কণ্ঠে ভাষণ দি অখিল গগৈয়ে মঞ্চৰ সন্মুখত উপস্থিত লোকক সম্বোধন কৰে। মঞ্চৰ পৰা ৰাইজক প্ৰশ্ন সোধে যে মই বদৰুদ্দিন আজমল আৰু এআইইউডিএফ গালি পাৰিলে আপোনালোকে বেয়া পাই নেকি? তেতিয়া ৰাইজে একস্বৰে কয় যে আমি বেয়া নাপাও। পুনৰ এআইইউডিএফ মুছলমান সাম্প্ৰদায়িক দল হয় নে নহয় বুলি প্ৰশ্ন কৰাত ৰাইজে, হয় বুলি কয়। বিজেপি এটা হিন্দু মৌলবাদী দল হয় নে নহয় বুলি প্ৰশ্ন কৰাত ৰাইজে, হয় বুলি কয়। অখিল গগৈয়ে তেতিয়াই কয় যে মুছলমান সাম্প্ৰদায়িক দল এআইইউডিএফ আৰু হিন্দু সাম্প্ৰদায়িক দল বিজেপিক ব্ৰহ্মপুত্ৰত দলিয়াই পেলাব লাগে। আমি সকলোৱে একলগ হৈ থাকিব লাগে বুলি অখিল গগৈয়ে উদাত্ত কণ্ঠে আৰু কয় যে আমি হিন্দু-মুছলমান সকলোৱে একলগ হৈ শান্তিত থাকিব লাগে। তাৰ পিছতে অখিল গগৈয়ে মঞ্চত জপিয়াই জপিয়াই বিজেপি আৰু এআইইউডিএফৰ নাম লৈ মুৰ্দাবাদ ধ্বনি দিয়ে। কথা ইমানতে সমাপ্ত হোৱা নাই। শেষত অখিল গগৈয়ে বিৰোধী ঐক্য জিন্দাবাদ ধ্বনি দিবলৈ ধৰে। গগৈয়ে হিন্দু-মুছলমান এক হওক শ্ল'গান দিবলৈ আৰম্ভ কৰে। প্ৰায় ৫ মিনিট সময় হাতত মাইক্ৰফোন লৈ চাচ-মামা গ'বেক, বিজেপি-এআইইউডিএফক ব্ৰহ্মপুত্ৰত বিসৰ্জন দিয়ক, বিৰোধী ঐক্য জিন্দাবাদ, জয় আই অসম আদি শ্ল'গান দিয়ে। কিন্তু সকলোতকৈ আচৰিত কথা এয়াই যে নিতৌ কংগ্ৰেছ আৰু গৌৰৱ গগৈক গোৱাল গালি দি অহা অখিল গগৈয়ে কৃষক মুক্তি সংগ্ৰাম সমিতিৰ মঞ্চত বিৰোধী ঐক্য জিন্দাবাদ ধ্বনি দিয়ে। যিগৰাকী অখিল গগৈক কংগ্ৰেছ আৰু অসম জাতীয় পৰিষদে গুৰুত্ব দিয়া নাই তেনে সময়তে কৃষক মুক্তি সংগ্ৰাম সমিতিৰ মঞ্চত বিৰোধী ঐক্য জিন্দাবাদ ধ্বনি দিবলগীয়া হোৱা বিষয়টোৱে চৰ্চা লাভ কৰিছে। অখিল গগৈয়ে মাইনৰিটি বেল্টত প্ৰচাৰ অভিযান অব্যাহত ৰাখিছে। যিসমূহত এলেকাত কংগ্ৰেছৰ ভেটি শক্তিশালী। তেনে সময়তে কংগ্ৰেছৰ একাংশ নেতাই অখিল গগৈয়ে বিজেপিৰ মতে, কাম কৰি অহা বুলি অভিযোগ উত্থাপন কৰি আহিছে তেনে সময়তে অখিল গগৈয়ে কৃষক মুক্তি সংগ্ৰাম সমিতিৰ মঞ্চত বিৰোধী ঐক্য জিন্দাবাদ ধ্বনি দি পঞ্চায়ত নিৰ্বাচনৰ পূৰ্বে ৰাইজক বিভ্ৰান্ত কৰিব খুজিছে। ইপিনে এদিন পূৰ্বে অখিল গগৈয়ে মাইনৰিটি অধ্যুষিত হোজাই জিলাৰ যমুনামুখ সমষ্টিৰ বিন্নাকান্দিৰ আমবাৰীত সভা অনুষ্ঠিত কৰিছিল। সংখ্যালঘু লোকৰ মাজত বিজেপিৰ বিৰুদ্ধে ভাষণ দি বদৰুদ্দিন আজমলক অসমৰ ৰাজনীতিৰ পৰা খেদিব লাগে বুলি কৈছিল অখিলে। বিন্নাকান্দিৰ আমবাৰীৰ সভাত কংগ্ৰেছৰে মিত্ৰতা সম্পৰ্কত প্ৰতিক্ৰিয়া দি কংগ্ৰেছক পুনৰ বিবেচনা কৰাৰ লগতে পঞ্চায়ত নিৰ্বাচনত কংগ্ৰেছৰ সৈতে লগলাগি নিৰ্বাচনত নমাৰ পোষকতা কৰিছিল। নিজৰ চৰকাৰ আহিলে ১০ বছৰত নিবনুৱা সমস্যা এশ শতাংশই নিৰ্মূল কৰাৰ লগতে অসমত এজনো দৰিদ্ৰ লোক নাথাকে, অসমৰ প্ৰতিচ্ছৱি সলাই দিয়াৰো অংগীকাৰ কৰিছিল অখিলে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# ২০২৫ বৰ্ষক 'কিতাপৰ বৰ্ষ' হিচাপে

কৰিছে। সংবাদমেলৰ অন্তত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কেবিনেট বৈঠকত লোৱা সিদ্ধান্তসমূহ ৰাজহুৱা কৰিছে। সংবাদমেলত ২০২৫ বৰ্ষটোক কিতাপৰ বৰ্ষ হিচাপে পালনৰ সিদ্ধান্ত লোৱাৰ লগতে অসমৰ বনগাঁৱৰ গাঁওবুঢ়াসকলক দৰমহা দিয়াৰ সিদ্ধান্ত লোৱাৰ কথা ৰাজহুৱা কৰিছে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই। আজি কেবিনেটত অসমত ১,৪৫০ খন বনগাঁও তথা ফৰেষ্ট ভিলেজৰ গাঁওবুঢ়াসকলক দৰমহা দিয়াৰ সিদ্ধান্ত লয়। ড০ শৰ্মাই গাওঁবুঢ়া সন্দৰ্ভত কয় যে এইসকল গাঁওবুঢ়াই বিনাবেতনে কাম কৰি আছে। এতিয়াৰ পৰা বনগাঁৱৰ গাওঁবুঢ়াসকলক ৯ হাজাৰ টকাকৈ বেতন প্ৰদান কৰা হ'ব। আছাম স্কীল চেণ্টাৰ স্থাপন সন্দৰ্ভত কেবিনেটে সিদ্ধান্ত লয়। আছাম স্কীল চেণ্টাৰৰ মূল কেন্দ্ৰ গুৱাহাটী স্থাপন কৰাৰ লগতে যুৱক-যুৱতীসকলে কৰ্মসংস্থাপন লাভৰ সুবিধা দিয়াৰ সিদ্ধান্ত লয়। অৰুণোদয় আঁচনিৰ অধীনত ধন লোৱা চৰকাৰী কৰ্মচাৰীৰ বিৰুদ্ধে বিহিত ব্যৱস্থা গ্ৰহণ কৰাৰ সিদ্ধান্ত লয়। ৬৮২গৰাকী নিয়মীয়া চৰকাৰী কৰ্মচাৰীয়ে অৰুণোদয় আঁচনিৰ ধন লৈছে আৰু আটাইকেইগৰাকীৰ বিৰুদ্ধে ব্যৱস্থা ল'ব চৰকাৰে। আজিৰ বৈঠকত গুৱাহাটীৰ জনতা ভৱনৰ পৰা ৯ গৰাকী মন্ত্ৰীয়ে, ৰঞ্জিত দাসে বঙাইগাঁৱৰ পৰা আৰু কৌশিক ৰায়ে শিলচৰৰ পৰা ভিডিঅ' কনফাৰেন্স যোগে অংশ লয়। এইখন বৈঠক এই বৰ্ষৰ শেষ বৈঠক হ'ব পাৰে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# মৃদুলৰ পৰিয়াললৈ কংগ্ৰেছৰ ৫ লাখ

কৰা অপমানক লৈ আজি গুৱাহাটীৰ ৰাজীৱ ভৱনত এখন সংবাদমেল সম্বোধন কৰিছিল গৌৰৱ গগৈয়ে। সংবাদমেলত প্ৰতিবাদ কৰিবলৈ আহি মৃত্যু হোৱা কংগ্ৰেছ নেতা তথা অধিবক্তা মৃদুল ইছলামৰ পৰিয়ালৰ প্ৰতি বিশেষ ঘোষণা কৰিছে গৌৰৱ গগৈয়ে। অধিবক্তা মৃদুল ইছলামৰ পৰিয়ালক নিখিল ভাৰত কংগ্ৰেছে ৫ লাখ টকা অনুদান দিয়াৰ ঘোষণা কৰিছে। সাংসদ গৌৰৱ গগৈয়ে কয় যে মৃদুল ইছলাম কংগ্ৰেছৰ সমৰ্পিত, পৰিশ্ৰমী আৰু সাহসী বিষয়-ববীয়া আছিল। তেওঁ কংগ্ৰেছৰ বাবে নিজৰ জীৱন উৎসৰ্গা কৰিলে। তেওঁক নিখিল ভাৰত কংগ্ৰেছৰ তৰফৰ পৰা ৫ লাখ টকা আগঢ়োৱা হ'ব। মৃদুল ইছলাম অধিবক্তা হোৱাৰ লগতে কংগ্ৰেছ দলৰ কামৰূপ জিলা আইনী কোষৰ সম্পাদক আৰু ডিজিটেল বাহিনীৰ সহ-সমন্বয়ক আছিল। ১৮ ডিচেম্বৰত প্ৰদেশ কংগ্ৰেছে গুৱাহাটীৰ ৰাজভৱনলৈ উলিওৱা এক যাত্ৰাৰ সময়ত আৰক্ষীয়ে বৰ্বৰভাৱে কন্দুৱা গেছে ব্যৱহাৰ কৰাত অধিবক্তা মৃদুল ইছলামে প্ৰাণ হেৰুৱাই। অধিবক্তা মৃদুলে মিছিলৰ সৈতে গৈ থকাৰ সময়ত নিচেই ওচৰৰ পৰা কন্দুৱা গেছ ব্যৱহাৰ কৰাৰ সময়ত কন্দুৱা গেছৰ শক্তিশালী ছেল শৰীৰত লাগি ঢলি পৰিছিল মৃদুল ইছলাম। অধিবক্তাজনক ততাতৈয়াকৈ গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত ভৰ্তি কৰা হৈছিল যদিও চিকিৎসকে মৃত ঘোষণা কৰে। মৃদুল ইছলামৰ ঘৰ দক্ষিণ কামৰূপৰ বকোত।

প্ৰথম পৃষ্ঠাৰ পৰা...

# পঞ্চম-অষ্টমত পুনৰ পাছ-ফেইল

প্ৰকাশ কৰা মতে, যদি কোনো শিক্ষাৰ্থী পৰীক্ষাত অনুত্তীৰ্ণ হয়, তেন্তে তেওঁক দ্বিতীয়বাৰৰ বাবে পৰীক্ষা দিয়াৰ সুযোগ দিয়া হ'ব। যদি শিক্ষাৰ্থীগৰাকী দ্বিতীয় পৰীক্ষাতো অনুত্তীৰ্ণ হয় তেন্তে তেওঁক পৰৱৰ্তী শ্ৰেণীলৈ উন্নীত কৰা নহ'ব। শিক্ষা মন্ত্ৰালয়ে জানিবলৈ দিয়া মতে, যদিহে ছাত্ৰ-ছাত্ৰীয়ে প্ৰাৰম্ভিক পৰীক্ষাত ফেইল কৰে তেন্তে দুমাহৰ ভিতৰত পুনৰ পৰীক্ষা দিব লাগিব। দ্বিতীয় পৰীক্ষাত ছাত্ৰ-ছাত্ৰী সফল নহ'লে বিশেষ সহায় লাভ কৰিব। শ্ৰেণী শিক্ষকসকলে তেওঁলোকৰ পাঠদানৰ ব্যৱধান চিনাক্ত কৰি সেইবোৰ শুধৰণিৰ পদক্ষেপ গ্ৰহণ কৰিব। কিন্তু কোনো কাৰণতে কোনো শিক্ষাৰ্থীক বিদ্যালয়ৰ পৰা বহিষ্কাৰ কৰিব নোৱাৰিব। উল্লেখ্য যে, শিক্ষাৰ অধিকাৰ আইনখনৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলক পঞ্চম আৰু অষ্টম শ্ৰেণীত অনুত্তীৰ্ণ কৰোৱাত নিষেধাজ্ঞা আৰোপ কৰা হৈছিল। সেই নিয়ম সলনি কৰিছে কেন্দ্ৰই। কেন্দ্ৰীয় ব'ৰ্ডৰ অধীনৰ ৩ হাজাৰৰো অধিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ ক্ষেত্ৰত এই নতুন নিয়ম প্ৰযোজ্য হ'ব।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# চান্দা সংস্কৃতি এৰিবলৈ আহ্বান

সপোন দেখিব লাগিব।' ডিব্ৰুগড়ত আজি অনুষ্ঠিত হোৱা 'বিকাশৰ ১২ দিন' শীৰ্ষক কাৰ্যসূচীত অংশগ্ৰহণ আন্দোলনকাৰীসকলৰ প্ৰতি এই আহ্বান জনালে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই। ডিব্ৰুগড় চহৰৰ মানকটা চাহ বাগিচা খেলপথাৰত অনুষ্ঠিত হোৱা গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই লগতে কয় যে, আন্দোলনে আমাৰ জীৱন ঘূণীয়া কৰে। চান্দা তুলি বিহু পাতি অসমীয়া জাতি উন্নতি নহয়। বহুতে বিশ্বাস কৰে চান্দা, আন্দোলন সংস্কৃতিৰে অসমীয়া জাতি উন্নতি কৰিম। পৃথিৱীত এনে কোনো জাতি নাই আন্দোলন কৰি উন্নতি হৈছে। পৃথিৱীৰ বহু জাতিয়ে কৰ্মসংস্কৃতি গঢ়ি, শিক্ষাৰ জৰিয়তে সমাজ উন্নয়নত অৰিহনা আগবঢ়াইছে। আমাৰ ইয়াত আন্দোলন বুলি ক'লেই বন্ধ, ধৰ্ণা, পিকেটিং বুজো। তামিলনাডুৰ ৰাজ্যত আন্দোলন হয়, শিক্ষা, বৌদ্ধিকতাৰ আন্দোলন। আমিও তামিলনাডুৰ দৰে শিক্ষা, কৰ্মসংস্কৃতিৰ আন্দোলন গঢ়ি তুলিব লাগিব। আমাৰ ছাত্ৰ-ছাত্ৰীসকলৰ ভৱিষ্যত আমাৰ ওপৰত নিৰ্ভৰ কৰে। নিজৰ ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কংগ্ৰেছকো সমালোচনাৰ লক্ষ্য কৰি লয়। কংগ্ৰেছৰ কাৰ্যকালত চাকৰিৰ নামত মুকলি বজাৰ চলা বুলি অভিযোগ উত্থাপন কৰি কয় যে, চাকৰিৰ নামত কংগ্ৰেছে বজাৰ মুকলি কৰি শিক্ষিত নিবনুৱা যুৱক-যুৱতীক হত্যা আৰু ধ্বংস চলাইছিল। এটা চাকৰিৰ নামত ১০ লাখ টকাৰ পৰা ১ কোটি টকালৈকে দিবলগীয়া হৈছিল। সেই সময়ত সাধাৰণ পৰিয়ালৰ সন্তান মেজিষ্ট্ৰেট, চতুৰ্থ বৰ্গৰ চাকৰি পাবলৈকো কঠিন হৈ পৰিছিল। কিন্তু এতিয়া পৰিৱৰ্তন হৈছে। মন্ত্ৰী-বিষয়া সন্তানে যি চাকৰি পায়, সাধাৰণ শ্ৰেণীৰ পৰিয়ালেও সেই একেই চাকৰি পাবলৈ সক্ষম হৈছে। আমি পৰিৱৰ্তনৰ বাবে কাম কৰিছোঁ। উল্লেখযোগ্য যে, মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা চৰকাৰে ১১ ডিচেম্বৰৰ পৰা গুৱাহাটীত আৰম্ভ কৰা 'বিকাশৰ ১২ দিন' শীৰ্ষক কাৰ্যসূচী আজি ডিব্ৰুগড়ত সামৰণি পৰিছে। এই ১২ দিনত অসমৰ বিকাশৰ কাৰণে উৎসৰ্গা কৰা বুলি মন্তব্য কৰিছে। আনহাতে বিকাশৰ ১২ দিন কাৰ্যসূচীৰ জৰিয়তে ২০ লাখ লোকক ৰেচধ কাৰ্ড প্ৰদান কৰাৰ কথা জানিবলৈ দিছে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই। মন কৰিবলগীয়া যে, আজি উচ্চ মাধ্যমিক পৰীক্ষাত ৭৫ শতাংশ নম্বৰ লৈ প্ৰথম বিভাগত উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীক আনন্দৰাম বৰুৱা বঁটা আঁচনিৰ অধীনত নগদ বঁটা আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাত ৭৫ শতাংশ নম্বৰ লৈ উত্তীৰ্ণ ছাত্ৰ তথা ৬০ শতাংশ নম্বৰ লৈ উত্তীৰ্ণ ছাত্ৰীক অসম চৰকাৰৰ প্ৰজ্ঞানজ্যোতি আঁচনিৰ ড০ বাণীকান্ত কাকতি মেধা বঁটাৰ অধীনত স্কুটী আৰু নৰম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলক মুখ্যমন্ত্ৰী বিশেষ আঁচনিৰ অধীনত চাইকেল বিতৰণ কৰা হয়। ডিব্ৰুগড় জিলাৰ নৱম শ্ৰেণীৰ ১০২৭০ গৰাকী ছাত্ৰ-ছাত্ৰীক চাইকেল বিতৰণ কৰে মুখ্যমন্ত্ৰীয়ে। ইয়াৰে ৪৭০৭ জন ছাত্ৰ আৰু ৫৫৬৩ গৰাকী ছাত্ৰী। একেদৰে ২৫৯৩ গৰাকী ছাত্ৰ-ছাত্ৰীৰ বিপৰীতে ৪৯০ জন ছাত্ৰ আৰু ২১০৩ গৰাকী ছাত্ৰীক স্কুটী বিতৰণ কৰে। হাইস্কুল শিক্ষান্ত পৰীক্ষাত ৭৫ নম্বৰ উৰ্ধৰ নম্বৰ লাভ কৰা ১২৫৫ জন মেধাৱী ছাত্ৰ-ছাত্ৰীক আনন্দৰাম বৰুৱা বঁটাৰ অধীনত বঁটা প্ৰদান কৰা হয়। ইফালে এই অনুষ্ঠানত 'এ আইৰ দ্বাৰা সংগ্ৰহ কৰা 'অ' মোৰ প্ৰাণৰ ডিব্ৰুগড়' শীৰ্ষক কবিতাটি আবৃত্তি কৰি উপস্থিত ৰাইজৰ মন জয় কৰিলে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই। ডিব্ৰুগড় জিলা আয়ুক্ত বিক্ৰম কৈৰীয়ে আদৰণি ভাষণ প্ৰদান কৰা অনুষ্ঠানত ডিব্ৰুগড় জিলাৰ অভিভাৱক মন্ত্ৰী যোগেন মহন, শক্তি মন্ত্ৰী প্ৰশান্ত ফুকন, সাংস্কৃতিক মন্ত্ৰী বিমল বৰা, ৰাজ্যসভাৰ সাংসদ ৰামেশ্বৰ তেলী, বিধায়ক টেৰছ গোৱালা, পোনাকন বৰুৱা, বিনোদ হাজৰিকা, তৰংগ গগৈ, চক্ৰধৰ গগৈ, অসম পৰ্যটন উন্নয়ন নিগমৰ অধ্যক্ষ ঋতুপৰ্ণ বৰুৱা, অসম গেছ কোম্পানীৰ উপাধ্যক্ষ ইন্দ্ৰ গগৈ, সোনোৱাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ সোনোৱাল, ডিব্ৰুগড় পৌৰনিগমৰ মেয়ৰ ডাঃ চৈকত পাত্ৰ আদিকে ধৰি বিজেপিৰ স্থানীয় ভালেসংখ্যক নেতা-কৰ্মী তথা বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# আম্বেদকাৰক লোকসভাত অপমান!

শীৰ্ষ নেতাসকলে সংবাদমেল অনুষ্ঠিত কৰে। অসমতো সাংসদ তথা লোকসভাৰ বিৰোধী উপ-দলপতি গৌৰৱ গগৈ, সাংসদ প্ৰদ্যুৎ বৰদলৈ আৰু ৰকিবুল হুছেইনে পৃথকে পৃথকে তিনিখন সংবাদমেল অনুষ্ঠিত কৰে। সাংসদ গৌৰৱ গগৈয়ে গুৱাহাটীৰ ৰাজীৱ ভৱনত, সাংসদ প্ৰদ্যুৎ বৰদলৈয়ে নগাঁৱৰ ৰাজীৱ ভৱনত আৰু সাংসদ ৰকিবুল হুছেইনে গোৱালপাৰাৰ ৰাজীৱ ভৱনত সংবাদমেল অনুষ্ঠিত কৰি দেশৰ ৭৫ সংখ্যক সংবিধান জয়ন্তীৰ সময়ত সদনত গৃহমন্ত্ৰী অমিত শ্বাহে বাবাচাহেব আম্বেদকাৰক তুচ্ছ-তাচ্ছিল্য কৰি আম্বেদকাৰৰ নাম উচ্চাৰণ কৰাতো এক ফেশ্যন বুলি উল্লেখ কৰি আম্বেদকাৰৰ নাম কংগ্ৰেছে যিমান নাম লয় সিমান নাম ভগৱানৰ ল'লে সাত-পুৰুষলৈ স্বৰ্গত থাকিব বুলি কৰা অপমানৰ প্ৰতিবাদ কৰি এয়া বিজেপি আৰু আৰএছএছৰ নীতি বুলি উল্লেখ কৰে। গুৱাহাটীত বিৰোধী দলৰ উপ-দলপতি, সাংসদ গৌৰৱ গগৈয়ে নিখিল ভাৰত কংগ্ৰেছৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গে আৰু বিৰোধী দলৰ নেতা ৰাহুল গান্ধীৰ তৎপৰতাত উভয় সদনতে সংবিধানৰ ৭৫ সংখ্যক জয়ন্তী দুদিনীয়াকৈ অনুষ্ঠিত কৰাৰ দাবী উত্থাপন কৰিছিল। বিজেপি চৰকাৰে সংবিধানক সন্মান নকৰে বুলি উল্লেখ কৰি সাংসদ গৌৰৱ গগৈয়ে কয় যে আৰএছএছে ভাৰতীয় সংবিধানখন মানি ল'ব নোখোজে আৰু তেওঁলোকে ভাৰতৰ ত্ৰিৰংগ পতাকাকো সন্মান নকৰে। গগৈয়ে কয়, কংগ্ৰেছ দলে আন্দোলন কৰি ব্ৰিটিছৰ পৰা দেশক মুক্ত কৰিছিল আৰু দেশৰ সকলো শ্ৰেণীৰ নাগৰিকৰ সম-অধিকাৰৰ বাবে ভীমৰাও আম্বেদকাৰৰ তত্বাৱধানত সংবিধান প্ৰণয়ন কৰি গ্ৰহণ কৰিছিল। অসমৰ ৬ জনগোষ্ঠীৰ লগতে অন্যান্য পিছপৰা জাতি-জনগোষ্ঠী সমূহৰ উন্নয়ন কংগ্ৰেছে বিচাৰে, কিন্তু বিজেপিয়ে ভুৱা প্ৰচাৰৰ দ্বাৰা জাতি-জনগোষ্ঠীসমূহক প্ৰতাৰণা কৰি আহিছিল বুলি উল্লেখ কৰে। বিজেপি এটা প্ৰতাৰকৰ দল বুলি উল্লেখ কৰি সাংসদ গৌৰৱ গগৈয়ে কয় যে যোৱা উপ-নিৰ্বাচনৰ সময়ত এমাহৰ ভিতৰত বিহালীৰ ৰাস্তা-পদুলিৰ উন্নয়ন হ'ব আৰু মহিলাসকলক ১০ হাজাৰকৈ দিব বুলি ঘোষণা কৰা মন্ত্ৰীসকলে সেই প্ৰতিশ্ৰুতি কিয় পালন কৰা নাই বুলিও প্ৰশ্ন কৰে। অসমক ঋণগ্ৰস্ত কৰি হিমন্ত বিশ্ব শৰ্মাই ক্ষমতাকেন্দ্ৰিক ৰাজনীতিৰে মানুহৰ মাজত বিভাজন অনা বুলি উল্লেখ কৰি সাংসদ গগৈয়ে কয় যে কংগ্ৰেছ দলে আন্দোলনৰ জৰিয়তে দেশক স্বাধীন কৰিছিল আৰু ভাৰতীয় নিপেষিত, নিপীড়িচ মানুহৰ সম-বিকাশৰ মানুহৰ বাবে কংগ্ৰেছে আন্দোলন কৰি যাব। প্ৰয়াত মুখ্যমন্ত্ৰী তৰুণ গগৈৰ পুথিভঁৰালৰ পৰা এখন সংবিধান আনি সাংসদ গৌৰৱ গগৈয়ে সকলোকে দেখুৱাই কয় যে দেশৰ সংবিধানক আমি সন্মান কৰো আৰু হৃদয়ত ৰাখিছো। বিজেপিয়ে সংবিধান সলনি কৰিবৰ বাবে যিমানেই অপচেষ্টা নচলাওক সেয়া আমি প্ৰতিহত কৰিম। সংবাদমেলত প্ৰাক্তন সাংসদ বলীন কুলী, বিধায়ক আব্দুৰ ৰছিদ মণ্ডল, কংগ্ৰেছৰ জ্যেষ্ঠ নেতা বিপুল গগৈ, মীৰা বৰঠাকুৰ, গোপাল শৰ্মা, মেহদী আলম বৰা, ৰূপা দেউৰী, কৃষ্ণ দাস প্ৰমুখ্যে লোকসকলো উপস্থিত থাকে। আজিৰ এই সংবাদমেলখনৰ আঁত ধৰে প্ৰদেশ কংগ্ৰেছৰ মিডিয়া বিভাগৰ অধ্যক্ষ বেদব্ৰত বৰাই।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

# সাংবাদিক স্বপন কুমাৰ ৰাভালৈ 'সাংবাদিক জ্ঞানশঙ্কৰ খাখলাৰী সমন্বয় বঁটা'

**ই-সংবাদ, ধূপধৰা, ২৩ ডিচেম্বৰঃ** গোৱালপাৰা জিলাৰ ধূপধৰাৰ বিকালী মহাবিদ্যালয়ত সোমবাৰে 'আসাম প্ৰেছ ক'ৰেছপণ্ডেণ্টছ ইউনিয়ন' চমুকৈ আপকুৰ গোৱালপাৰা জিলা সমিতিৰ উদ্যোগত দিনজোৰা কাৰ্যসূচীৰে 'সাংবাদিক জ্ঞানশংকৰ খাখলাৰী সমন্বয় বঁটা ২০২৪' প্ৰদান অনুষ্ঠান আয়োজন কৰা হয়। গোৱালপাৰা জিলাৰ ধূপধৰাৰ বিশিষ্ট সাংবাদিক তথা কবি, সাহিত্যিক প্ৰয়াত জ্ঞানশংকৰ খাখলাৰীয়ে সমাজৰ হকে আগবঢ়োৱা অৱদান, কৰ্মৰাজিক জীয়াই ৰাখিবলৈ গোৱালপাৰা জিলা আপকুয়ে প্ৰথমবাৰৰ বাবে 'সাংবাদিক জ্ঞানশংকৰ খাখলাৰী সমন্বয় বঁটা' প্ৰদান কৰিছে। প্ৰথমবাৰৰ বাবে প্ৰদান কৰা এই বঁটা 'অসমীয়া প্ৰতিদিন' কাকতৰ দুধনৈৰ সংবাদদাতা আৰু 'প্ৰতিদিন টাইম'ৰ ৰংজুলিৰ সাংবাদিক স্বপন কুমাৰ ৰাভাক প্ৰদান কৰা হয়। ধূপধৰাৰ বিকালী মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত গোৱালপাৰা জিলা আপকুৰ সভাপতি ভৱেশ চন্দ্ৰ ভাগৱতীৰ সভাপতিত্বত অনুষ্ঠিত বঁটা প্ৰদান অনুষ্ঠানত সাংবাদিক স্বপন কুমাৰ ৰাভাক বঁটাটি প্ৰদান কৰে। বঁটাত নগদ ১০ হাজাৰ টকা, এখন শৰাই, ফুলাম গামোচা, ৰাভা জনগোষ্ঠীৰ পাজাৰ, চেলেং চাদৰ, জাপি, ম'মেন্ট আৰু এখন সম্বৰ্ধনা পত্ৰ আগবঢ়ায় আপকুয়ে । ইয়াৰ পূৰ্বে বন্তি প্ৰজ্বলন কৰে বিকালী মহাবিদ্যালয়ৰ অধ্যক্ষ ড০মনোজ গগৈ আৰু প্ৰয়াত সাংবাদিক জ্ঞানশঙ্কৰ খাখলাৰীৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰে প্ৰয়াত সাংবাদিক জ্ঞানশঙ্কৰ খাখলাৰীৰ সহধৰ্মিণী ফাগুনী বড়োৱে। গোৱালপাৰা জিলা আপকুৰ সম্পাদক জ্যোতিষ নাথে আঁত ধৰা অনুষ্ঠানটি শুভ উদ্বোধন কৰে দুধনৈ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড০ জীৱেশ্বৰ কোচে। উদ্বোধনী ভাষণত ড০ কোচে সাংবাদিকতা জীৱনৰ বহু অভিজ্ঞতা বৰ্ণনা কৰাৰ লগতে প্ৰয়াত জ্ঞানশংকৰ খাখলাৰীৰ কৰ্ম জীৱনৰ বিষয়ে বিস্তৃত ব্যাখ্যা আগবঢ়ায়। অনুষ্ঠানত পশু চিকিৎসা বিভাগৰ অৱসৰপ্ৰাপ্ত যুটীয়া সঞ্চালক ডাঃ ফাৰুক আখতাৰে নিৰ্দিষ্ট বক্তা ৰূপে অংশগ্ৰহণ কৰি সাংবাদিকতাৰ নীতি, আদৰ্শৰ বিষয়ে ভাষণ প্ৰদান কৰে। ইফালে বিশিষ্ট অতিথি ৰূপে অৱসৰপ্ৰাপ্ত অধ্যাপক ড০ আব্দুল হক আহমেদ, আমন্ত্ৰিত অতিথি হিচাপে ষষ্ঠ অনুসূচী দাবী সমিতিৰ সভাপতি দশানন ৰাভা, গোৱালপাৰা জিলা ৰাভা ছাত্ৰ সন্থাৰ সম্পাদক তিলক ৰাভা, গোৱালপাৰা জিলা ছাত্ৰ সন্থাৰ সম্পাদক কুকিল দাস,অৱসৰপ্ৰাপ্ত শিক্ষক-ক্ৰীড়া পেঞ্চনাৰ তাজমহল হুছেইনকে আদি কৰি কেইবাগৰাকী বিশিষ্ট লোক উপস্থিত থাকি ভাষণ প্ৰদান কৰে। উল্লেখ্য যে বটাঁপ্ৰাপক স্বপন কুমাৰ ৰাভাই ২০০৫ চনত দৈনিক অগ্ৰদূত আৰু দৈনিক জনসাধাৰণ কাকতৰ জৰিয়তে সংবাদ ক্ষেত্ৰত পদাৰ্পন কৰি সুদীৰ্ঘ বিশবছৰ ধৰি গোৱালপাৰা জিলাৰ সংবাদ ক্ষেত্ৰত উক্ত কাকত দুখনৰ উপৰিও 'আমাৰ অসম', 'আমি অসমৰ জনগণ', 'গণ অধিকাৰ', 'গণজীৱন', 'নিউজ-৩০', হিন্দী কাকত 'দৈনিক পূৰ্বোদয়', বঙালী কাকত 'সংবাদ লহৰী', ৰ ইলেক্ট্ৰনিক সংবাদ মাধ্যম ফ্ৰন্টিয়াৰ টি ভি, আছাম টকছ আদিৰ জৰিয়তে সংবাদ সেৱা আগবঢ়াইছে।

# মৰিগাঁৱৰ সমাজকৰ্মী নিগম চন্দ্ৰ কাকতিৰ মৃত্যুত শোকৰ ছাঁ

**ই-সংবাদ, মৰিগাঁও, ২৩ ডিচেম্বৰঃ** মৰিগাঁও জিলাৰ ভূৰবন্ধা ঔগুৰিৰ সমাজকৰ্মী তথা জ্যেষ্ঠ নাগৰিক নিগম চন্দ্ৰ কাকতি উচ্চ ৰক্তচাপ ৰোগত আক্ৰান্ত হৈ নিজা বাসভৱনতেই ৮৭ বছৰ বয়সত পৰলোকপ্ৰাপ্তি ঘটে। সমাজকৰ্মীগৰাকীৰ মৃত্যুৰ বাতৰি বিয়পি পৰাৰ লগে লগে অঞ্চলটোত গভীৰ শোকৰ ছাঁ পৰে। উল্লেখ্য যে মৰিগাঁও জিলাৰ ভূৰবন্ধাৰ ঔগুৰিত ১৯৩৭ চনত জন্মগ্ৰহণ কৰা নিগম চন্দ্ৰ কাকতি জীৱন কালত বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত হৈ সেৱা আগবঢ়াই আহিছিল। কিছুদিন পূৰ্বে উচ্চ ৰক্তচাপ ৰোগত আক্ৰান্ত হোৱাত পৰিয়ালৰ লোকে মৰিগাঁও শ্বহীদ তিলক হেমৰাম গুণাভিৰাম অসামৰিক চিকিৎসালয় চিকিৎসা কৰাৰ পিছত ঘৰলৈ লৈ যায় যদিও দেওবাৰে পৰলোকপ্ৰাপ্তি ঘটাত বহু অনুষ্ঠান-প্ৰতিষ্ঠানৰ ব্যক্তি বিশেষে তেওঁৰ বাসভৱনত উপস্থিত হৈ নশ্বৰ দেহত শেষ শ্ৰদ্ধা জ্ঞাপন কৰাৰ লগতে তেওঁৰ বিদেহ আত্মাৰ চিৰ শান্তি কামনা কৰে। সমাজকৰ্মীগৰাকীৰ মৃত্যুত মৰিগাঁও জিলা ছাত্ৰ সন্থা, জনসংখ্যা সমাধান ফাউণ্ডেচন তথা উত্তৰ পূৱ প্ৰান্তৰ সমিতি, ৰাজ্যিক সমিতি আৰু ভগ্নী সংগঠন মহিলা শক্তিয়ে গভীৰ শোক প্ৰকাশ কৰি শোকসন্তপ্ত পৰিয়াল বৰ্গলৈ সমবেদনা জ্ঞাপন কৰে। মৃত্যুৰ সময়ত তেওঁ দুগৰাকী পত্নী, চাৰি সন্তান, এগৰাকী জীয়ৰীসহ বহু আত্মীয়-স্বজনক ইহসংসাৰত এৰি থৈ যায়।

# কাকজানৰ বনাঞ্চলত গুলীবিদ্ধ অৱস্থাত মৃত্যু হোৱা সুব্ৰত তাঁতীৰ মৃতদেহ লৈ ডুমডুমাত প্ৰতিবাদ

**ই-সংবাদ, ডুমডুমা, ২৩ ডিচেম্বৰঃ** তিনিচুকীয়া জিলাৰ ফিল'বাৰী আৰক্ষী থানাৰ অন্তৰ্গত দুৱাৰমৰা-কাকজান সংৰক্ষিত বনাঞ্চলৰ ভিতৰত কালি পুৱা গুলীবিদ্ধ অৱস্থাত উদ্ধাৰ হোৱা ২ নং কাকজান গাঁৱৰ সুব্ৰত তাঁতী (৩৫) ৰ মৃতদেহ লৈ আজি দুৱাৰমৰা-কাকজানবাসী ৰাইজে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। সুব্ৰত তাঁতীক বনবিভাগৰ কৰ্মচাৰীয়েই গুলিয়াই হত্যা কৰাৰ অভিযোগ তুলি মৃতকৰ পৰিয়াল আৰু স্থানীয় ৰাইজে আজি ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ ডুমডুমা দলঙৰ ওপৰত মৃতদেহ থৈ উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। ডুমডুমাৰ ডি,এফ,অ ' মৃগাংক বৰাৰ নেতৃত্বতেই এই নিৰ্মম হত্যাকাণ্ড সংঘটিত হৈছে বুলি অভিযোগ তুলি প্ৰতিবাদী ৰাইজে এই হত্যাকাণ্ডৰ যথোচিত উচ্চ পৰ্যায়ৰ তদন্ত দাবী




জনোৱাৰ লগতে মৃতকৰ পৰিয়ালৰ লোকক চৰকাৰী চাকৰি প্ৰদান কৰিবলৈ দাবী জনায়। আনহাতে১২৫ নং ডুমডুমা বিধানসভা সমষ্টিৰ প্ৰাক্তন কংগ্ৰেছী বিধায়ক দুৰ্গা ভূমিজে ৰাজ্যত শাসনাধিষ্ঠিত বিজেপি চৰকাৰে চাহ জনগোষ্ঠীৰ লোকক কুকুৰ-মেকুৰী মৰাৰ দৰে হত্যা কৰিছে বুলি কৈ বিজেপি চৰকাৰক কঠোৰ সমালোচনা কৰে। এনে এখন চৰকাৰক বিদায় দিয়া উচিত বুলিও কয় ভূমিজে। কেইবা শতাধিক ৰাইজৰ প্ৰতিবাদ ফলত ছেখোৱাঘাট অভিমুখী ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথচোৱাৰ ডুমডুমা দলঙৰ দুয়োপাৰে শ শ যান-বাহন, পথচাৰী আৱদ্ধ হৈ পৰে।

# তামুলপুৰ জিলা ৰাভা ছাত্ৰ সন্থাৰ প্ৰথম দ্বি-বাৰ্ষিক অধিবেশনৰ সামৰণি

**ই সংবাদ, তামুলপুৰ, ২৩ ডিচেম্বৰঃ** তামুলপুৰ জিলা ৰাভা ছাত্ৰ সন্থা আৰু নতুন হাউলী ৰাইজৰ সহযোগত শ্ৰীশ্ৰী লক্ষ্মী মন্দিৰ প্ৰাঙ্গনত দুদিনীয়াকৈ অনুষ্ঠিত হোৱা প্ৰথম দ্বি-বাৰ্ষিক অধিবেশনখনৰ দেওবাৰে নিশা সফল সামৰণি পৰে। তামুলপুৰ জিলা ৰাভা ছাত্ৰ সন্থাৰ সভাপতি পূৰ্ণ ৰাভাৰ সভাপতিত্ব অনুষ্ঠিত হোৱা মুকলি সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকি নিখিল ৰাভা ছাত্ৰ সন্থাৰ সভাপতি মতিলাল বাকচকে কয় যে ৰাভা জনগোষ্ঠীৰ লোকসকলে নিজৰ জাতীয় সাজ-পোছাক, কৃষ্টি সংস্কৃতি বজাই ৰাখিব লাগিব। আমি আমাৰ প্ৰাপ্যৰ বাবে কাম কৰিব লাগিব। আন্দোলন কৰিব লাগিব তেতিয়া হে আমি জীয়াই থাকিব পাৰিম। বিটিআৰৰ ৰাভা গণ মৰ্চাৰ সভাপতি জয়ন্ত ৰাভাই আনুষ্ঠানিকভাৱে উদ্বোধন কৰা মুকলি সভা খনত নিদিষ্ট বক্তা হিচাপে উপস্থিত থাকি গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপক ডঃ উপেন ৰাভা হাকাচামে নিজৰ ভাষণত কয়, যি জাতিৰ ভাষা, সাজ-পোছাক, সংস্কৃতি নাই সেই জনগোষ্ঠীৰ কোনো অস্তিত্ব নাই। আমি ৰাভা জনগোষ্ঠীয়ে সময়ত উপযুক্ত সিদ্ধান্ত ল'ব লাগিব। নহ'লে আমি প্ৰাপ্যৰ পৰা বঞ্চিত হ'ব লাগিব। আমি ৫০ বছৰ আগতে সচেতন হ'ব লাগিছিল। কিন্তু আমি এতিয়াহে সচেতন হৈছো বুলি মন্তব্য কৰে। তামুলপুৰ জিলা ৰাভা ছাত্ৰ সন্থাৰ সাম্পাদক ভদ্ৰেশ্বৰ ৰাভাই আতধৰা মুকলি সভাখনতে বাওচিতা নামৰ স্মৃতিগ্ৰন্থখন উন্মোচন কৰে ৰাভা ছাত্ৰ সন্থাৰ প্ৰাক্তন সভাপতি মনেশ্বৰ ৰাভাই। স্মৃতি গ্ৰন্থ উন্মোচন কৰি মনেশ্বৰ ৰাভাই কয়, আমি প্ৰতি মাহে এখনকৈ গ্ৰন্থ ক্ৰয় কৰিব লাগে। গ্ৰন্থই মানুহক জ্ঞান প্ৰদান কৰে। ৰাভা ছাত্ৰ সন্থাই আজিৰ এই অধিবেশনৰ লগত সংগতি ৰাখি বাওচিতা নামৰ স্মৃতিগ্ৰন্থখনত ৰাভা জনগোষ্ঠীৰ ইতিহাস লাভ কৰিব পাৰিব বুলিও কয়। দেওবাৰৰ এই মুকলি সভাখনত বিটিআৰ মনোনীত এম চি এল এ হেমন্ত কুমাৰ ৰাভা, ৰাভা জাতিয় পৰিষদ তামুলপুৰ জিলাৰ সভাপতি সুৰেন ৰাভা, ৰাভা ছাত্ৰ সন্থাৰ প্ৰাক্তন উপ-সভাপতি দিপাংকৰ ৰাভা, বিটিআৰৰ ৰাভা গণ মঞ্চৰ সম্পাদক চবিন ৰাভা, তামুলপুৰ জিলা ছাত্ৰ সন্থাৰ সভাপতি অনুপ কলিতাৰ লগতে ৰাভা ছাত্ৰ সন্থাৰ কেইবাগৰাকীও নেতা কৰ্মী উপস্থিত থাকে। ইপিনে পুৱাৰ ভাগত পতাকা উত্তোলন, শ্ৰদ্ধাঞ্জলি জ্ঞাপন, গছপুলি ৰোপণ কাৰ্যসূচী অনুষ্ঠিত হয়। আনহাতে আগন্তক বৰ্ষৰ বাবে কমল ৰাভাক সভাপতি আৰু ৰাহুল ৰাভা হাকাচামক সম্পাদক হিচাপে লৈ তামুলপুৰ জিলা ৰাভা ছাত্ৰ সন্থাৰ সমিতিখন নতুনকৈ গঠন কৰা হয়।

# দদৰাত পূৱ বংশৰ সমন্বয় সমিতিৰ বাৰ্ষিক অধিৱেশন

**ই-সংবাদ শুৱালকুছি, ২৩ ডিচেম্বৰঃ** কামৰূপ জিলাৰ পূৱ বংশৰ অঞ্চলত এক সমন্বয়ৰ বাৰ্তা লৈ প্ৰতিষ্ঠা লাভ কৰা অন্যতম সামাজিক সংগঠন ২ নং পূৱ বংশৰ সমন্বয় সমিতিৰ প্ৰথম বাৰ্ষিক অধিবেশন আৰু সমাজ ৰত্ন বটা প্ৰদান অনুষ্ঠান দেওবাৰে দদৰাস্থিত ভৃগু কুমাৰ ফুকন ৰাজহুৱা প্ৰেক্ষাগৃহত দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হয়। এই উপলক্ষে ২ নং পূৱ বংশৰ সমন্বয় সমিতিৰ সভাপতি দিবাকৰ কলিতাৰ সভাপতিত্ব অনুষ্ঠিত হোৱা সভাত মূখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি গুৱাহাটী বিশ্ববিদ্যালয় আৰু তেজপুৰ কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য ড° অমৰ জ্যোতি চৌধুৰীয়ে বৰ্তমানৰ একাংশ উঠি অহা প্ৰজন্মই সমাজত সমন্বয় বাৰ্তা লৈ গঢ় লৈ উঠা অনুষ্ঠানটোৰ শলাগ লোৱাৰ লগতে এই বাৰ্তা অসমৰ চুকেকোণে বিয়পি পৰিব বুলি আশা প্ৰকাশ কৰে। আজিৰ প্ৰায় চাৰে পাচশ বছৰ আগতে মহাপুৰুষ দুজনাই অসমত সমন্বয় গঢ়ি তুলিবলৈ সক্ষম হৈছে। প্ৰথমে চাওলুং চুকাফাই উত্তৰ পূৱৰ সাত ৰাজ্যক ভাঙি এক ৰাজ্য কৰি অসমৰ সৃষ্টি কৰিছিল। তদুপৰি লক্ষ্মীনাথ বেজবৰুৱা জ্যোতিপ্ৰসাদ আগৰৱালা, বিষ্ণু প্ৰসাদ ৰাভা, ডঃ ভূপেন হাজৰিকাই বিভিন্ন মাধ্যমৰে অসমৰ প্ৰতিটো জাতি-জনগোষ্ঠী নামত এক সমন্বয় গঢ়ি এক সুস্থ সমাজ গঢ়িবলৈ সক্ষম হৈছিল। অঞ্চলটোৰ ৪ গৰাকী বিশিষ্ট সমাজ সংগঠনকক ৰাজহুৱাভাৱে সম্বৰ্দ্ধনা আৰু "সমাজ ৰত্ন বঁটা" প্ৰদান প্ৰসংগ উত্থাপন কৰি প্ৰাক্তন উপচাৰ্য গৰাকীয়ে কয় যে, সমন্বয় সমিতিয়ে অঞ্চলটোৰ তিনি গৰাকী আধুনিক খনিকৰক মৰণোত্তৰ ভাৱে আৰু এগৰাকী বিশিষ্ট সমাজ সংগঠক , শিক্ষাবিদ , ক্ৰীড়া সংগঠকক জীৱিতভাৱে সমাজ ৰত্ন বটা প্ৰদান কৰা কাৰ্যক প্ৰশংসা কৰে। অনুষ্ঠানত নিৰ্দিষ্ট বক্তা হিচাপে অংশগ্ৰহণ কৰি পশ্চিম গুৱাহাটী মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ ড° বলেন্দ্ৰ কুমাৰ দাসে প্ৰাক্তন ৰাষ্ট্ৰীয় ফুটবল খেলুৱৈ ৰফিক চৌধুৰীৰ “অতীতে ৰিঙিয়াই নামৰ গ্ৰন্থ খন উন্মোচন কৰে । তেওঁ কয় যে, বৰ্তমানৰ যুৱ উশৃংখল সমাজ ব্যৱস্থাত ২ নং পূৱ বংশৰ সমন্বয় সমিতিয়ে যি সমন্বয় বাৰ্তা প্ৰেৰণ কৰিলে সেয়ে সচাকৈয়ে প্ৰশংসনীয়। তেওঁ ভৱিষ্যতে এনে প্ৰচেষ্টা অব্যাহত থাকিব বুলি আশা প্ৰকাশ কৰে। অনুষ্ঠানত পূৱ বংশৰ অঞ্চলৰ নমস্য ব্যক্তি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ জন্মদাতা, সমাজ সংগঠক প্ৰয়াত বাপজান আলী , প্ৰয়াত ধীৰেণ ভৰালী, প্ৰয়াত আদৰ্শ কৃষক পদ্মৰাম (বাংকন) বৈশ্যক মৰণোত্তৰ ভাৱে সমাজ ৰত্ন বটা প্ৰদান কৰা হয় । ব্যক্তি তিনি গৰাকীৰ পৰিয়ালে এই বটাঁ গ্ৰহণ কৰে। আনহাতে বিশিষ্ট শিক্ষাবিদ, বংশৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ সমাজ সংগঠক, তথা ক্ৰীড়া সংগঠক কনক দাসক “সমাজ ৰত্ন” বঁটাৰে বিভূষিত কৰা হয়। ইয়াৰ আগেয়ে সভা উদ্বোধন কৰে বিজেপিৰ অনুসূচীত জাতি-মৰ্চা উপ-সভাপতি প্ৰকাশ চন্দ্ৰ দাসে। পুৱা পতাকা উত্তোলন কৰে পূৱ-বংশৰ সমন্বয় সমিতিৰ সভাপতি দিবাকৰ কলিতাই, স্মৃতি তৰ্পণ কৰে নবীন ৰাজবংশী, গৌতম বৈশ্যই, গছপুলি ৰোপণ কৰে মিনাৰাম ভৰালী, বলেন ৰাজবংশী, দদৰা আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া ৰিজুমণি লাংঠাই। বন্তি প্ৰজ্বলন কৰে হাজো আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া নৰজিৎ নাথে। সন্ধিয়ালৈ অনুষ্ঠিত হয় পূৱ বংশৰ সমন্বয় সমিতিৰ বিষয় বাচনি সভা। অনুষ্ঠানত প্ৰায় তিনি শতাধিক ৰাইজ উপস্থিত থাকে।

# মাদক দ্ৰব্যৰ বিৰুদ্ধে হাতত লাঠি লৈ পথলৈ ওলাল মহিলা

**ই-সংবাদ, হাজো, ২৩ ডিচেম্বৰঃ** কামৰূপ জিলাৰ হাজোত সুৰা আৰু ড্ৰাগছ বেপাৰীক দমন কৰিবলৈ হাতে হাতে লাঠি লৈ ওলাই আহিল মহিলাসকল। পঞ্চতীৰ্থ বিৰঙ্গণা মুলাগাভৰু মাদক দ্ৰব্য নিবাৰণী মঞ্চ আৰু হাজো পঞ্চতীৰ্থ পৰিচালনা সমিতিৰ উদ্যোগত সোমবাৰে হাজোৰ মাধৱ মন্দিৰৰ সমীপৰ পৰা এক প্ৰতিবাদী সমদল বাহিৰ কৰে মহিলাসকলে। উল্লেখ্য যে হাজোৰ বৃহত্তৰ এলেকাত মুকলিকৈ মদ, ভাং, ড্ৰাগছ আদিকে ধৰি বিভিন্ন মাদক দ্ৰব্যৰ বেহা চলি আহিছে। বিশেষকৈ মাধৱ মন্দিৰৰ সমীপৱৰ্তী কেইবাটাও অঞ্চলত মদ, ড্ৰাগছৰ অবৈধ ব্যৱসায় প্ৰশাসনৰ নাকৰ তলতে চলি আহিছে। হাজোৰ মহাদেৱ টোলাৰ মহিলাসকলে দীৰ্ঘদিনে মাদক দ্ৰব্যৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰি আহিছে যদিও এতিয়াও বন্ধ হোৱা মাদক দ্ৰব্যৰ ৰমৰমীয়া বেহা। উপায়ন্তৰ হৈ পাকঘৰৰ পৰা ওলাই আহি ৰাজপথত মাইক বজাই প্ৰতিবাদত নামিল মহিলাসকল। প্ৰতিবাদী মহিলাসকলে সুৰা ব্যৱসায়ী হুচিয়াৰ, ড্ৰাগছৰ প্ৰচলন বন্ধ কৰক আদি শ্লোগানেৰে হাজোৰ ৰাজপথ উত্তাল কৰি তোলে। এতিয়া প্ৰশাসনে এই ক্ষেত্ৰত কি ব্যৱস্থা গ্ৰহণ কৰে সেয়া লক্ষণীয় হ'ব।

# পশ্চিমবংগত আৰক্ষীৰ জালত ম'ষ্ট ৱাণ্টেড গো-মাফিয়া

**ই-সংবাদ, গোলকগঞ্জ, ২৩ ডিচেম্বৰঃ** ধুবুৰী জিলাত গোধন আৰু গো-মাংসৰ অবৈধ ব্যৱসায়ৰে আৰক্ষীৰ মূৰৰ কামোৰণি সৃষ্টি কৰা কুখ্যাত মাফিয়া লতিফক অৱশেষত পশ্চিমবংগৰ বক্সিৰহাট আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰি আগমনি আৰক্ষীক গতাই দিয়ে। অভিযোগ মতে, দীৰ্ঘদিনৰ পৰাই গৌৰীপুৰ থানাৰ অন্তৰ্গত আলমগঞ্জ, ৰঙামাটিৰ প্ৰয়াত সুলতান আলী শ্বেখৰ পুত্ৰ আব্দুল লতিফে চোৰাং গৰু আৰু নিষিদ্ধ গো-মাংসৰ চিণ্ডিকেট চলাই আহিছে। পশ্চিমবংগৰ বিভিন্ন স্থানৰ পৰা গোধন বিলাসী বাহনত ভৰাই গৌৰীপুৰ, ধুবুৰী আদিলৈ প্ৰেৰণ কৰে। তদুপৰি পশ্চিমবংগৰ দাঁতি কাষৰীয়া মানসাই আৰু সুটকিবাৰীৰ পৰা গো-মাংস বলেৰ' পিকআপ ভেনত ভৰাই আৰক্ষীৰ চকুত ধূলি দি গোপনে অসমত আমদানি কৰি আহিছে। নিজৰ বাহনৰ পৰিৱৰ্তে আনৰ বাহনৰে সৰবৰাহ অব্যাহত ৰাখিছে লতিফে। লতিফৰ মূল সহযোগী আছিল কিছমত হাসদহ চতুৰ্থ খণ্ড গাঁৱৰ অসৰ আলী শ্বেখ। অসৰ আলী অসম-পশ্চিমবংগ সীমান্তৰ বিভিন্ন থানা আৰক্ষী চকীত গৃহৰক্ষী জোৱান হিচাপে কৰ্মৰত হৈ আছিল। লতিফৰ সংগ পোৱাত চাকৰি এৰি অবৈধ ব্যৱসায়ত জড়িত হৈ পৰে অসৰ আলী। যোৱা ২৯ মে'ৰ পুৱতি নিশা আগমনি থানাৰ আৰক্ষীয়ে গোপন খবৰৰ ভিত্তিত এখন গো-মাংস কঢ়িওৱা বলেৰ' পিকআপ ভেন আগমনিৰ পৰা ১৭ নং ৰাষ্ট্ৰীয় ঘাইপথেৰে খেদি যায়। কিন্তু গো-মাফিয়া আব্দুল লতিফ, অসৰ আলী আৰু ফিৰদৌছে AS 01ES 0721 নম্বৰৰ বেলেন' বাহনেৰে আৰক্ষীৰ বাহনত খুন্দিওৱাৰ চেষ্টা চলায়। আৰক্ষীয়ে গো-মাংসৰ বাহন আটক কৰিব নোৱাৰি বেলেন' বাহন আটক কৰিবলৈ খেদি যায়। বিৰাট নগৰ চাৰিআলিৰ সমীপত বাহন এৰি লতিফ আৰু অসৰ পলায়ন কৰে যদিও আৰক্ষীৰ হাতত ফিৰদৌছ আহত হয়। চআগমনি থানাত ৪৫/২৪ নম্বৰত গোচৰ ৰুজু কৰি লতিফ আৰু অসৰৰ সন্ধান অব্যাহত ৰাখে। ১২ জুলাইত আৰক্ষীৰ বাহনক গৰু কঢ়িওৱা বাহন ধৰাত বাধাৰ সৃষ্টি কৰাৰ অপৰাধত ২৫ জুলাইৰ নিশা শৌলমাৰী আৰক্ষীয়ে অসৰক গ্ৰেপ্তাৰ কৰে। তাৰ পিছৰে পৰা লতিফে পশ্চিমবংগৰ পৰা গৰু আৰু গো-মাংসৰ একছত্ৰী ব্যৱসায় চলাই অসম আৰক্ষীৰ নিদ্ৰাহৰণ কৰিছে। ইয়াৰ মাজতে যোৱা ১৯ ডিচেম্বৰত পশ্চিমবংগৰ বক্সিৰহাট থানাৰ আৰক্ষীয়ে আব্দুল লতিফক আটক কৰে। বক্সিৰহাট আৰক্ষীয়ে আগমনি আৰক্ষীক হস্তান্তৰ কৰাত ২১ ডিচেম্বৰত ধুবুৰী আদালতত হাজিৰ কৰি লতিফক তিনি দিনৰ জিম্মাত ৰাখে। আৰক্ষীৰ তদন্ত সঠিক দিশত আগবাঢ়িলে চোৰাং ব্যৱসায়ীৰে জড়িত বহু কেইজন জালত পৰাৰ সম্ভাৱনা আছে।

## গাঁও প্ৰধানৰ বিৰুদ্ধে স্বজনতোষণৰ অভিযোগ, ব্যৱস্থা গ্ৰহণৰ দাবী

# মাজুলীত বানত ক্ষতিগ্ৰস্ত সৰহসংখ্যকেই নাপালে সাহায্য

**ই-সংবাদ, মাজুলী, ২৩ ডিচেম্বৰঃ** মাজুলীৰ ৯ হাজাৰ ৭শ ১১টা বানপীড়িত পৰিয়ালক যোৱা ১৮ ডিচেম্বৰত মন্ত্ৰী নন্দিতা গাৰ্লোছাৰ উপস্থিতিত মাজুলীত বানত ক্ষতিগ্ৰস্ত পশুপালক, গৃহহীন দুৰ্ভগীয়া পৰিয়ালসমূহক ক্ষতিপূৰণ প্ৰদান কৰিছিল। উক্ত ক্ষতিপূৰণ লাভ কৰাৰ পিছতেই এতিয়া একাংশ গাঁওপ্ৰধানে হিতাধিকাৰী নিৰ্বাচনৰ ক্ষেত্ৰত ব্যাপক স্বজনতোষণৰ আশ্ৰয় লোৱাৰ দৰে গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। ইতিমধ্যে ক্ষতিপূৰণ লাভ নকৰা একাংশ হিতাধিকাৰীয়ে মাজুলীৰ উপায়ুক্তক সাক্ষ্যৎ কৰি গাঁও প্ৰধানৰ বিৰুদ্ধে অভিযোগ প্ৰদান কৰাৰ খবৰ পোৱা গৈছে। উজনি মাজুলীৰ গ্ৰেজিং গাঁৱত বান সাহাৰ্য প্ৰদানৰ নামত গাঁও প্ৰধানে পক্ষপাতিত্ব কৰাৰ চৰ্চা চলি থকাৰ মাজত পুনৰ উজনি মাজুলীৰ লাচন চাপৰি ২নং পুনীয়া লাটৰ গাঁও প্ৰধান ৰমেশ সিং যাদৱে নিজৰ ঘৰৰ অওঁহী-বওঁহীৰ নামত বৃহৎ পৰিমাণৰ বান সাহাৰ্যৰ ধন হৰলুকি কৰাৰ গুৰুতৰ অভিযোগ কৰিছে লাচনচাপৰিৰ একাংশ পশুপালকে। জানিব পৰা মতে লাচনচাপৰি ২ নং পুনীয়া লাটৰ প্ৰায় ১২৫টা পৰিয়ালেই বানপানীত বহুলাংশে ক্ষতিগ্ৰস্ত হৈছিল যদিও গাঁও প্ৰধান ৰমেশ সিং যাদৱে ফিল্ডলৈ নহাকৈ ক্ষতিগ্ৰস্তৰ পৰিয়ালৰ খবৰ নোলোৱাকৈ, কাৰো ঘৰলৈ নোযোৱাকৈ ঘৰৰ পৰাই নিজৰ আত্মীয়ক আৰু পক্ষপাতিত্বমূলক ভাৱে লাটটোৰ মাত্ৰ প্ৰায় ২৫ জনক বান সাহাৰ্য প্ৰদান কৰাকলৈ তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। তিনিদিনে ভুক্তভোগী পশুপালকসকলে গাঁও প্ৰধানগৰাকীক বিচাৰি হাবাথুৰি খাব লগা হৈছে আৰু গাঁও প্ৰধান জন গাঁওবাসীৰ ৰোষত পৰাৰ ভয়ত পলাই থকা বুলি জানিব পৰা গৈছে। ইফালে গাঁও প্ৰধানজনে নিজৰ নামত, নিজৰ পুত্ৰৰ নামত, নবৌয়েকৰ নামত আৰু নিজা যাদৱ বংশৰ একাংশৰ নামত বান সাহাৰ্য প্ৰদান কৰোৱাই ব্যাপক দুৰ্নীতিৰ আশ্ৰয় লোৱা বুলি গাঁওবাসীয়ে জানিবলৈ দিয়ে। ইফালে, লাচনচাপৰি মৰংঘৰত ভুক্তভোগীসকলে এখন সভা অনুষ্ঠিত কৰি গাঁও প্ৰধানগৰাকীক সভালৈ নিমন্ত্ৰণ কৰিছিল যদিও গাঁও প্ৰধানগৰাকী সভালৈ অহাটো বাদেই নিজৰ ঘৰৰ পৰাও পলাই থকা বুলি গাঁওবাসীয়ে অভিযোগ তুলিছে।। যিসময়ত মুখ্যমন্ত্ৰীয়ে বানপীড়িতক কিছু আৰ্থিক সহায় কৰাৰ বাবে কাম কৰি আহিছে যদিও সেই সময়ত একাংশ গাঁও প্ৰধানে মুখ্যমন্ত্ৰীৰ আশাত চেচাপানী ধলা পৰিলক্ষিত হৈছে। লাচনচাপৰিৰ ভুক্তভোগী পশুপালকসকলে মাজুলী জিলা আয়ুক্তৰ হস্তক্ষেপত এক দণ্ডাধীশ পৰ্যায়ৰ তদন্ত কৰি গাঁও প্ৰধান ৰমেশ সিং যাদৱৰ বিৰুদ্ধে শীঘ্ৰে বিহিত ব্যৱস্থা গ্ৰহণৰ দাবী জনাইছে।



গোৱালপাৰা জিলা আপকুৰ সাংবাদিক স্বপন কুমাৰ ৰাভালৈ 'সাংবাদিক জ্ঞানশঙ্কৰ খাখলাৰী সমন্বয় বটা'

# কলগাছিয়াত বাল্য বিবাহৰ গোচৰত ৫ জনক গ্ৰেপ্তাৰ, জেললৈ প্ৰেৰণ

**ই-সংবাদ, কলগাছিয়া, ২৩ ডিচেম্বৰঃ** পুনৰ বাল্য বিবাহৰ বিৰুদ্ধে অভিযান তীব্ৰতৰ কৰিছে অসম আৰক্ষীয়ে। পুনৰ বে-আইনীভাৱে বিবাহ কৰা স্বামীক আটক কৰিছে আৰক্ষীয়ে। উল্লেখ্য যে বিগত বৰ্ষত আৰক্ষীয়ে উজনিৰ পৰা নমানিলৈ, ব্ৰহ্মপুত্ৰৰ পৰা বৰাকলৈ বাল্য বিবাহ কৰা স্বামীৰ বিৰুদ্ধে আৰক্ষীয়ে চলাইছিল বৃহৎ অভিযান। অভিযানত গ্ৰেপ্তাৰ হৈছিল বাল্য বিবাহৰ লগত জড়িত স্বামীৰ লগতে অভিভাৱক। শনিবাৰে নিশা পুনৰ সমগ্ৰ ৰাজ্যৰ লগতে বৰপেটা জিলাৰ কলগাছিয়া আৰক্ষী থানা অন্তৰ্গত বিভিন্ন এলেকাত অভিযান চলাই কেইবাজনো লোকক আটক কৰে আৰক্ষীয়ে। ইয়াৰে ৫ জন লোক ক্ৰমে ৰামপুৰ গাঁৱৰ আছিয়াত জামালৰ পুত্ৰ ৰকিবুল ইছলাম, মুহিয়া গাঁওৰ আব্দুৰ ৰশিদৰ পুত্ৰ শহিদুল ইছলাম, কিছমত মইনবৰী চৰৰ কাদেৰ আলীৰ পুত্ৰ জাহিদুল ইছলাম আৰু শ্বহিদুল ইছলামৰ পুত্ৰ ছফিউৰ ৰহমান। বাল্য বিবাহৰ অভিযোগত গ্ৰেপ্তাৰ হোৱা স্বামী আৰু অভিভাৱকক সোমবাৰে জে'ল হাজোতলৈ প্ৰেৰণ কৰে।

# কলিতা আলপাইন জনগোষ্ঠী সন্মিলনৰ বাৰ্ষিক অধিৱেশন

**ই-সংবাদ, ৰঙিয়া, ২৩ ডিচেম্বৰঃ** ৰঙিয়াৰ তৰণীত সদৌ অসম কলিতা আলপাইন জনগোষ্ঠী সন্মিলনৰ ষষ্ঠদশ দ্বি-বাৰ্ষিক অধিৱেশনৰ বাবে ব্যাপক আয়োজন কৰা হৈছে। ইতিমধ্যে অনুষ্ঠিত সাধাৰণ সভাযোগে স্থানীয় বিধায়ক তথা ৰাজ্যিক বিজেপিৰ সভাপতি ভবেশ কলিতাক সভাপতি, লৰধৰ কলিতাক কাৰ্যকৰী সভাপতি, ৰাজেন কলিতাক সাধাৰণ সম্পাদক আৰু মণ্টেশ্বৰ কলিতাক কোষাধ্যক্ষ হিচাপে লৈ শক্তিশালী আদৰণি সমিতি এখন গঠন কৰা হয়। অহা ২১ মাৰ্চৰ পৰা তিনিদিনীয়াকৈ তৰণী হৰিমন্দিৰ প্ৰাংগণত অনুষ্ঠিত হ'বলগা অধিৱেশন উপলক্ষে যাৱতীয় প্ৰস্তুতি হাতত লৈছে আদৰণি সমিতিয়ে। সেই অনুসৰি ২৪ ডিচেম্বৰৰ বিয়লি মুখ্য কাৰ্যালয়ৰ দ্বাৰ উন্মোচনী কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব। উক্ত কাৰ্যসূচীত আদৰণি সমিতিৰ সভাপতি ভবেশ কলিতাই মুখ্যদ্বাৰ উন্মোচন কৰিব বুলি সদৰী কৰাৰ লগতে ৰাইজৰ উপস্থিতি কামনা কৰিছে আয়োজক সমিতিয়ে।



পথাৰ হালধীয়া! ফুলিছে সৰিয়হ... ফটোঃ ই-সংবাদ, চতিয়া



কামৰূপৰ দদৰাত অনুষ্ঠিত পূৰ বংশৰ সমন্বয় সমিতিৰ বাৰ্ষিক অধিবেশনৰ এটি দৃশ্য, ফটোঃ ই-সংবাদ, গুৱালকুছি

# দৰং জিলা জ্যেষ্ঠ নাগৰিক সন্মিলনৰ দুমুনিচকীত বাৰ্ষিক অধিৱেশন

**ই-সংবাদ, দুমুনিচকী, ২৩ ডিচেম্বৰঃ** দৰং আৰু কামৰূপ জিলাৰ মধ্যমণি দুমুনিচকীৰ বৰনৈ ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলত দৰং জিলা জ্যেষ্ঠ নাগৰিক সন্মিলনৰ তৃতীয় দ্বি-বাৰ্ষিক অধিৱেশন অনুষ্ঠিত হয়। এই উপলক্ষে দুমুনিচকী আঞ্চলিক জ্যেষ্ঠ নাগৰিক সন্মিলনৰ সভাপতি ভৈৰৱ চৌধুৰীয়ে বন্তি প্ৰজ্বলন কৰাৰ পিছত পুৱা প্ৰথম কাৰ্যসূচী হিচাপে দৰং জিলা জ্যেষ্ঠ নাগৰিক সন্মিলনৰ সভাপতি বলবাহাদুৰ ছেত্ৰীয়ে সন্মিলনৰ পতাকা উত্তোলন কৰি তৃতীয় দ্বি-বাৰ্ষিক অধিৱেশনৰ শুভাৰম্ভ কৰে। তাৰ পিছত স্মৃতি তৰ্পণ কৰে দুমুনিচকী জ্যেষ্ঠ নাগৰিক সন্মিলনৰ প্ৰাক্তন সভাপতি হৰেন দাসে। পুৱা ১০ বজাৰ পৰা দৰং জিলা জ্যেষ্ঠ নাগৰিক সন্মিলনৰ সভাপতি বলবাহাদুৰ ছেত্ৰীৰ সভাপতিত্বত প্ৰতিনিধি সভা অনুষ্ঠিত হয়। দিনৰ ১১ বজাৰ পৰা অনুষ্ঠিত মুকলি সভাত সভাপতিত্ব কৰে বলবাহাদুৰ ছেত্ৰীয়ে। তৃতীয় দ্বি-বাৰ্ষিক অধিৱেশনৰ সৈতে সংগতি ৰাখি প্ৰকাশ কৰা মুখপত্ৰ প্ৰজ্ঞা উন্মোচন কৰি ছিপাঝাৰ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ বিশিষ্ট শিক্ষাবিদ ডঃ ৰামচন্দ্ৰ ডেকাই নিজৰ ভাষণত কয় যে জ্যেষ্ঠ নাগৰিকসকল সহিষ্ণু আদৰ্শৱান আৰু খংহীন হোৱাটো প্ৰয়োজনীয়। তেতিয়াহে তেওঁলোক উত্তৰ পুৰুষৰ বাবে প্ৰকৃতাৰ্থত জ্যেষ্ঠ নাগৰিক হৈ থাকিব পাৰিব। এচামৰ মতে সমাজৰ বাবে অৱহেলিত জ্যেষ্ঠ নাগৰিকসকল হৈছে উত্তৰ পুৰুষৰ পথ প্ৰদৰ্শক। সমাজ গঢ়াত জ্যেষ্ঠ নাগৰিকসকলৰ যথেষ্ট অৱদান আছে। অৱসৰ পোৱা জনকে বৃদ্ধ হোৱা নুবুজায়। তাৰ পিছতো দেশৰ আন ৰাজ্যৰ তুলনাত অসমৰ জ্যেষ্ঠ নাগৰিকসকল বিভিন্ন ক্ষেত্ৰত চৰকাৰী-বেচৰকাৰীভাৱে বঞ্চিত হোৱাৰ খবৰ পোৱা যায়। দুমুনিচকীৰ যুৱ ব্যৱসায়ী লুটফুৰ ৰহমানে উদ্বোধন কৰা মুকলি সভাৰ আন এগৰাকী আমন্ত্ৰিত অতিথি অসম জ্যেষ্ঠ নাগৰিক সন্মিলনৰ প্ৰধান সম্পাদক প্ৰসন্ন কুমাৰ বৰঠাকুৰে ৰাজ্যৰ জ্যেষ্ঠ নাগৰিকসকলৰ বাবে গ্ৰহণ কৰা সন্মিলনৰ আঁচনিসমূহৰ বিষয়ে উল্লেখ কৰে। মুকলি সভাত দুমুনিচকীৰ জ্যেষ্ঠ নাগৰিক আলহাজ আব্দুৰ ৰহমান আৰু বেজেৰাৰ ওচৰৰ খেহেনীপাৰা গাঁৱৰ বিশিষ্ট সমাজকৰ্মী বতহু ৰাম কুমাৰক দৰং জিলা জ্যেষ্ঠ নাগৰিক সন্মিলনৰ তৰফৰ পৰা সম্বৰ্দ্ধনা জনোৱা হয়।

# বালাৰচৰত কংগ্ৰেছত যোগদান অগপ-বিজেপিৰ সহস্ৰাধিক কৰ্মীৰ

**ই-সংবাদ, কোকিলা, ২৩ ডিচেম্বৰঃ** বিজেপি বা অগপ দলৰ প্ৰতি অসন্তুষ্ট নহয়, হিমন্ত বিশ্ব শৰ্মাৰ অত্যাচাৰী, হিটলাৰী শাসনৰ বাবেহে আজি তেওঁলোকে কংগ্ৰেছত যোগদান কৰিছে। বঙাইগাঁও জিলাৰ উত্তৰ অভয়াপুৰী সমষ্টিৰ বালাৰচৰ ৰাজীৱ ভৱনত সোমবাৰে কংগ্ৰেছৰ কৰ্মী সভা আৰু যোগদান কাৰ্যসূচীত উপস্থিত থাকি এইদৰে কয় ধুবুৰী লোকসভা সমষ্টিৰ সাংসদ ৰকিবুল হুছেইনে। সাংসদজনে প্ৰয়াত মুখ্যমন্ত্ৰী তৰুণ গগৈৰ প্ৰশংসাত গদগদ হৈ পৰে। তেওঁ কয় যে তৰুণ গগৈ চৰকাৰৰ দিনত আলফাৰ সমস্যা সমাধান কৰাৰ লগতে কৰ্মচাৰীক দৰমহা, শিক্ষানুষ্ঠান, চিকিৎসালয় নিৰ্মাণ, সঠিক নিয়মৰে চাকৰি দিছিল। বিজেপিয়ে অসমত বছৰি ২৫লাখকৈ চাকৰি দিয়াৰ প্ৰতিশ্ৰুতি দিয়াত ৰাইজে বিজেপিক ভোট দিছিল। কিন্তু এতিয়া সকলো ফুটুকাৰ ফেনত পৰিণত হৈছে। মূল্যবৃদ্ধি, গেছৰ দাম, সকলো বস্তুৰে আকাশলংঘী মূল্যবৃদ্ধি হৈছে। তেওঁ লগতে কয় যে কোনো প্ৰতিশ্ৰুতি পালন নকৰা বিজেপি চৰকাৰক এইবাৰ ৰাইজে বিদায় দিব বুলি কয় ৰকিবুল হুছেইনে। বিজেপি চৰকাৰৰ অত্যাচাৰত ৰাইজ অতিষ্ঠ হৈ পৰিছে। মিঞাৰ ভোট নালাগে বুলি কোৱা হিমন্ত বিশ্ব শৰ্মাই মিঞাৰ ঘৰে ঘৰে গৈ ভোট ভিক্ষা কৰিছে। উজনি অসমত হিমন্ত বিশ্ব শৰ্মাৰ বাবে বিজেপি শেষ হোৱাৰ পথত। মানুহৰ ঘৰ-দুৱাৰ ভাঙিলে, মানুহক হত্যা কৰিলে। হিমন্ত বিশ্ব শৰ্মাৰ পিছত এতিয়া মানুহ নাই, কেইজনমান পুলিচহে আছে। হিমন্ত বিশ্ব শৰ্মাই যিমান অন্যায়-অত্যাচাৰ কৰিলে '২৬ৰ নিৰ্বাচনৰ পিছত ইয়াৰ এটা এটাৰ বিচাৰ কৰা হ'ব বুলি ভাষণত উল্লেখ কৰে সাংসদজনে। উল্লেখ্য যে সৃজনগ্ৰাম আৰু টাপাট্টাৰী ব্লক কংগ্ৰেছৰ উদ্যোগত আৰু জিলা কংগ্ৰেছৰ সভাপতি আবুল কাশেমৰ পৌৰহিত্যত অনুষ্ঠিত সভাত নতুনকৈ গঠন হোৱা সৃজনগ্ৰাম সমষ্টিৰ বিভিন্ন প্ৰান্তৰ পৰা প্ৰায় সহস্ৰাধিক এআইইউডিএফ-অগপ আৰু বিজেপি কৰ্মীয়ে আনুষ্ঠানিকভাৱে কংগ্ৰেছত যোগদান কৰে। বঙাইগাঁও জিলা এআইডিইউএফৰ সাধাৰণ সম্পাদক পীৰ জাহান উদ্দিনৰ নেতৃত্বত ৫ শতাধিক এআইইউডিএফ কৰ্মীয়ে কংগ্ৰেছত যোগদান কৰে। অগপৰ নিষ্ঠাবান কৰ্মী মফিদুল ইছলামৰ নেতৃত্বত প্ৰায় দুই শতাধিক অগপ কৰ্মীয়ে আনুষ্ঠানিকভাৱে কংগ্ৰেছত যোগদান কৰে। আনহাতে শাসনাধিষ্ঠ বিজেপি দলৰ শতাধিক কৰ্মীয়ে কংগ্ৰেছত যোগদান কৰে। তৃণমূল কংগ্ৰেছ, ৰাইজৰ দল, অসম জাতীয় পৰিষদৰ লগতে আন আন দলৰ নেতা-কৰ্মীয়েও কংগ্ৰেছত যোগদান কৰে। আনহাতে বিধায়ক উন্নয়ন পুঁজিৰ দুটা কামৰ আধাৰশিলা স্থাপন কৰে সাংসদ ৰকিবুল হুছেইনে। সভাত উত্তৰ অভয়াপুৰী সমষ্টিৰ বিধায়ক আব্দুল বাতিন খন্দকাৰসহ বহু নেতা-কৰ্মী উপস্থিত থাকে।

# ডুমডুমাত অসমৰ জনপ্ৰিয় কবি-সাহিত্যিক প্ৰণৱ কুমাৰ বৰ্মন

**ই-সংবাদ, ডুমডুমা, ২৩ ডিচেম্বৰঃ** ডুমডুমা শতদল শাখা সাহিত্য সভাৰ উদ্যোগত ডুমডুমাৰ আজাদ ৰোডস্থিত নিজা ভৱনত আজি সন্ধিয়া আয়োজিত ‘একুকি মিঠা কবিতাৰ সুবাস’ শীৰ্ষক অন্তৰংগ আলাপৰ বিশেষ সন্ধিয়া অনুষ্ঠানত অসমৰ জনপ্ৰিয় যুৱ কবি-সাহিত্যিক প্ৰণৱ কুমাৰ বৰ্মন উপস্থিত থাকে। অনুষ্ঠানত বিশিষ্ট কবি-সাহিত্যিক প্ৰণৱ কুমাৰ বৰ্মনে ' শঙ্কৰদেৱ ', ' পেঞ্চন ', ' এনেকৈ হ'লে কেনেকৈ হ'ব বোপাই ' , ' সাগৰিকা বৰদলৈ ' কে ধৰি পাঁচটাকৈ জনপ্ৰিয় কবিতা পাঠ কৰে। অনুষ্ঠানত জনপ্ৰিয় কবি প্ৰণৱ কুমাৰ বৰ্মনৰ উপৰিও ডিগবৈ, ফিল'বাৰী, তিনিচুকীয়াৰ লগতে বিভিন্ন প্ৰান্তৰৰ পৰা অহা একুৰিৰো অধিক নবীন-প্ৰবীণ কবিয়ে স্বৰচিত কবিতা পাঠ কৰি অনুষ্ঠানটি জীপাল কৰি তোলে। ডুমডুমা শতদল শাখা সাহিত্য সভাৰ সম্পাদক দেবেন মনু ডেকাই আঁত ধৰা অনুষ্ঠানটিৰ সঞ্চালনা কৰে শাখাৰ সভাপতি বিমলা বৰুৱাই। অনুষ্ঠানৰ আৰম্ভণিতে কবি প্ৰণৱ কুমাৰ বৰ্মনক ডুমডুমা শতদল শাখা সাহিত্য সভাই এখনি ফুলাম গামোচা, চেলেং আৰু এটি কিতাপৰ টোপোলাৰে সম্বৰ্দ্ধনা জনায়। ফিল'বাৰী কবি সন্মিলন, অসম আবৃত্তি আৰু সাংস্কৃতিক পৰিষদৰ ডুমডুমা-ৰূপাই শাখা, সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ ডুমডুমা শাখা, ' ৰাৰিয়ৰ্চ ' ৰ ডুমডুমা আঞ্চলিক সমিতিয়েও কবি প্ৰণৱ কুমাৰ বৰ্মনক ৰাজহুৱা সম্বৰ্দ্ধনা জনায়। অনুষ্ঠানত " কাব্যধ্বনি " , অসম ৰ সম্পাদক যোগেশ বিকাশ গগৈ, বিশিষ্ট নাট্যকৰ্মী জয়সূৰ্য বৰা, ৰাজীৱলোচন বৰা, লক্ষী ফিল'বাৰী, দেবেন মনু ডেকা, গৌতম মেধি, হেমন্ত শ্যাম, সংগীতা বৰুৱা ডেকা, ইন্দু দত্ত উজিৰ, জোনালী শইকীয়া ডেকা, নিভাৰাণী চৌধুৰী, মৌচুমী পাটোৱাৰীয়েও কবিতা পাঠ কৰে। অনুষ্ঠানত কণমানি কবি তথা প্ৰণৱ কুমাৰ বৰ্মনৰ পুত্ৰ অৰ্হান শ্ৰীজাত( বাইচুং ) বৰ্মনেও দুটি সুন্দৰ কবিতা পাঠ কৰি সকলোকে আপ্লুত কৰে। অনুষ্ঠানত শলাগৰ শৰাই আগবঢ়াই বিমলা বৰুৱাই। অনুষ্ঠানটোত প্ৰায় ডেৰ শতাধিক কাব্যপ্ৰেমী লোক উপস্থিত থাকে।




ডুমডুমাত ‘একুকি মিঠা কবিতাৰ সুবাস’ শীৰ্ষক অন্তৰংগ আলাপৰ এটি দৃশ্য, ফটোঃ ই-সংবাদ, ডুমডুমা

# বৰমাত বাক্সা জিলা বড়ো সাহিত্য সভাৰ অধিৱেশন সম্পন্ন

**ই-সংবাদ, বৰমা, ২৩ ডিচেম্বৰঃ** বাক্সা জিলাৰ বৰমা ছোৱালী হাইস্কুল খেলপথাৰত দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হোৱা ১৯ সংখ্যক বাক্সা জিলা বড়ো সাহিত্য সভাৰ বাৰ্ষিক অধিৱেশন আৰু ৫৫ সংখ্যক বৰমা প্ৰাথমিক বড়ো সাহিত্য সভাৰ অধিৱেশন সোমবাৰে সুচাৰুৰূপে সম্পন্ন হয়। বাক্সা জিলা বড়ো সাহিত্য সভাৰ সভাপতি বিনোদ চন্দ্ৰ স্বৰ্গীয়াৰীৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাখন উদ্বোধন কৰে বিটিচিৰ অধ্যক্ষ কাতিৰাম বড়োৱে। সভাত উপস্থিত থাকে বৰমা সমষ্টিৰ বিধায়ক ভূপেন বড়ো, বড়ো সাহিত্য সভাৰ সম্পাদক বিনয় কুমাৰ নাৰ্জাৰী, কেন্দ্ৰীয় আবৌফৰ সভানেত্ৰী দিপালী নাৰ্জাৰী, বৰমা ছোৱালী হাইস্কুলৰ প্ৰধান শিক্ষকৰ লগতে কেইবাজনো বিশিষ্ট ব্যক্তি। ইয়াৰ পূৰ্বে পুৱা ৮ বজাত বড়ো সাহিত্য সভাৰ পতাকা উত্তোলন কৰে বাক্সা জিলা বড়ো সাহিত্য সভাৰ সভাপতি বিনোদ চন্দ্ৰ স্বৰ্গীয়াৰীয়ে। ১০ বজাত সুনন্দ মেধি সোৱৰণী সাহিত্য বঁটা প্ৰদান কৰে বাক্সা জিলা বিশিষ্ট লোক সাহিত্যিক পৰশু ৰামছিয়াৰীক। লগতে চলিত বৰ্ষত অসম লোকসেৱা আয়োগৰ পৰীক্ষাত সফলতা লাভেৰে বাক্সা জিলালৈ সন্মান কঢ়িয়াই অনা বড়ো ছাত্ৰ-ছাত্ৰীক সম্বৰ্দ্ধনা জনোৱা হয়। অনুষ্ঠানত ওতঃপ্ৰোতভাৱে জড়িত হৈ থকা প্ৰাক্তন নেতা-কৰ্মীকো সম্বৰ্দ্ধনা জনোৱা হয়।

# যোৰহাটৰ চেঙেলীআটিত পথ দুৰ্ঘটনাত ছাত্ৰী আহত

**ই-সংবাদ, পশ্চিম যোৰহাট, ২৩ ডিচেম্বৰঃ** যোৰহাট পুলিবৰ থানাৰ অন্তৰ্গত সৰুচৰাই চেঙেলীআটি পথত দেওবাৰে সন্ধিয়া দুখন গাড়ীৰ মুখামুখি সংঘৰ্ষত এগৰাকী চতুৰ্থ শ্ৰেণীৰ ছাত্ৰী আহত হয়। ঘটনাৰ বিৱৰণী মতে দিল্লী পাব্লিক স্কুল, যোৰহাটত অনুষ্ঠিত ডিজনী কাৰ্নিভেলত অংশগ্ৰহণ কৰি ছাত্ৰীগৰাকী এএছ০৩ এএ ৪০৮৬ নম্বৰৰ গাড়ীখনত পিতৃ-মাতৃৰ সৈতে যোৰহাট অভিমুখে আহি থাকোঁতেই দুগৰাকী ছাত্ৰী আৰু তিনিজন ছাত্ৰ থকা এএছ০৩ এইছ ৫২৯০ নম্বৰৰ গাড়ীখনত খুন্দা মাৰে। ফলত চতুৰ্থ শ্ৰেণীৰ ছাত্ৰীগৰাকী আহত হয়। ঘটনা সংঘটিত হোৱা স্থানত বহুলোক সমবেত হয়। সুযোগ বুজি যোৰহাটৰ ব্যক্তিগত খণ্ডৰ এখন বিদ্যালয়ত দশম শ্ৰেণীত অধ্যয়নৰত পাঁচগৰাকী ছাত্ৰ-ছাত্ৰীয়ে দুৰ্ঘটনাগ্ৰস্ত গাড়ীখন এৰি উক্ত স্থানৰ পৰা পলায়ন কৰে। উক্ত গাড়ীখনৰ চালকৰ আসনত সুৰাৰ বটল উদ্ধাৰ হয়। পুলিবৰ থানাৰ আৰক্ষী উপস্থিত হৈ চতুৰ্থ শ্ৰেণীৰ ছাত্ৰীগৰাকীসহ মাৰোৱাৰী পট্টিৰ নিৱাসী পৰিয়ালটোক চিকিৎসালয়লৈ প্ৰেৰণ কৰে। দুৰ্ঘটনাগ্ৰস্ত দুয়োখন গাড়ী আৰক্ষীয়ে জব্দ কৰে।

# কলগাছিয়াৰ দিগজানিত বোৱাৰী হত্যাক লৈ চাঞ্চল্য

**ই-সংবাদ, কলগাছিয়া, ২৩ ডিচেম্বৰঃ** বৰপেটা জিলাৰ কলগাছিয়া আৰক্ষী থানাৰ অন্তৰ্গত চৰ দিগজানি গাঁৱত বোৱাৰী হত্যাৰ ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰিছে। স্বামী ছাদ্দাম হুছেইনে পত্নী মৰ্জিনা খাতুনক ডেগাৰেৰে হানি-খুচি হত্যা কৰি পলায়ন কৰে। জানিব পৰা মতে চৰ দিগজানি গাঁৱৰ আতোৱাৰ ৰহমানৰ পুত্ৰ ছাদ্দাম হুছেইনে বিগত ৭ বছৰ পূৰ্বে পূব কলগাছিয়া গাৱঁৰ মজিবৰ ৰহমানৰ কন্যা মৰ্জিনা খাতুনৰ সৈতে সামাজিক ৰীতি-নীতি অনুসৰি বিবাহপাশত আৱদ্ধ হৈছিল। বৰ্তমান ছাদ্দাম আৰু মৃত মৰ্জিনা দুই সন্তানৰ পিতৃ-মাতৃ। কিন্তু বিয়াৰ পিছৰে পৰা স্বামী আৰু শহুৰে দীৰ্ঘদিনৰে পৰা চলাই আহিছিল শাৰীৰিক আৰু মানসিক অত্যাচাৰ। স্বামী ছাদ্দাম হুছেইনে দেওবাৰে পুৱা পত্নীক হত্যা কৰি পত্নীৰ পিতৃয়ে যৌতুক হিচাপে দিয়া AS15 R5329 নম্বৰৰ হিৰো গ্লেমাৰ বাহনখন ভাঙি তচ-নচ কৰি পলায়ন কৰে। পলায়ন কৰাৰ কিছু সময় পিছতেই স্বামী ছাদ্দাম হুছেইনে বালিকুৰি আৰক্ষী চকীত আত্মসমৰ্পন কৰে। এই হত্যাকাণ্ডক কেন্দ্ৰ কৰি অঞ্চলজুৰি শোকাকুল পৰিৱেশৰ সৃষ্টি হয়। ইতিমধ্যে ঘটনাস্থলীত বালিকুৰি আৰক্ষী উপস্থিত হৈ তদন্ত আৰম্ভ কৰিছে।

# কৌস্তুভ-হিমাংশুক পৰাস্ত কৰি চেম্পিয়ন ৰব্বানী-ইজাজুল



**ই-সংবাদ ক্ৰীড়া সেৱা, নগাঁও, ২৩ ডিচেম্বৰঃ** নগাঁও জিলাৰ হাতীচোং মৌজাৰ চকলাঘাটৰ ইয়ংষ্টাৰ ক্লাবৰ সৌজন্যত চকলাঘাট উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত নৈশালোকত অনুষ্ঠিত দ্বিতীয় সংখ্যক সদৌ অসম মুকলি প্ৰাইজমানি দ্বৈত বেডমিণ্টন প্ৰতিযোগিতাত লাহৰীঘাটৰ ৰব্বানী আহমেদ আৰু ইজাজুল হকৰ যুটীয়ে চূড়ান্ত বিজয়ী খিতাপ অৰ্জন কৰিছে। আজি পুৱতি নিশা সামৰণি পৰা এই প্ৰতিযোগিতাৰ ফাইনেলত ৰব্বানী-ইজাজুলৰ যুটীয়ে নগাঁও চহৰৰ কৌস্তুভ বৰা আৰু হিমাংশু বৰাৰ যুটীক ২-০ গেমত পৰাজিত কৰে। ইয়াৰ আগতে, ছেমিফাইনেলত ৰব্বানী-ইজাজুলৰ যুটীয়ে মৃজা সিনহা ডেকা-অমৰজ্যোতি বৰাৰ যুটীক ২-১ গেমত আৰু কৌস্তুভ বৰা-হিমাংশু বৰাৰ যুটীয়ে জ্যোতিস্মান বৰা-ভাস্কৰ গোস্বামীৰ যুটীক ২-০ গেমত হৰুৱাই ফাইনেলত উপনীত হৈছিল। প্ৰতিশ্ৰুতিসম্পন্ন মৃজা সিনহা ডেকা শ্ৰেষ্ঠ খেলুৱৈৰূপে পৰিগণিত হোৱা প্ৰতিযোগিতাখনি অসম বেডমিণ্টন সন্থাৰ সহকাৰী সম্পাদক তথা নগাঁও ক্ৰীড়া সংস্থাৰ বেডমিণ্টন শাখাৰ সম্পাদক অনিল দাসে আনুষ্ঠানিকভাৱে উদ্বোধন কৰি খেলুৱৈৰ উপযোগী হোৱাকৈ ভাষণ ৰাখে। ৰাজ্যখনৰ বিভিন্ন প্ৰান্তৰ মুঠ-১৬ টা দলে ভাগ লোৱা প্ৰতিযোগিতাৰ মাজতে নগাঁও ক্ৰীড়া সংস্থাৰ সভাপতি তথা বিধায়ক ৰূপক শৰ্মা উপস্থিত থাকি খেলুৱৈসকলৰ উপযোগী হোৱাকৈ ক্ৰীড়াৰ বিভিন্ন দিশ সামৰি ভাষণ ৰখাৰ উপৰি এক প্ৰীতি খেলত ভাগলৈ খেলুৱৈসকলক উৎসাহিত কৰে। প্ৰতিযোগিতাৰ বিজয়ী দলক সমাজকৰ্মী দিলীপ কুমাৰ ভূঞাই আগবঢ়োৱা নগদ সাতহেজাৰ এটকা সহ ৰোলা ভূঞা (ইৰা) সোঁৱৰণী ট্ৰফী, ৰাণাৰ আপ দলক বিকি বৰাই আগবঢ়োৱা  নগদ চাৰিহেজাৰ এটকা সহ দেবেন বৰুৱা সোঁৱৰণী ট্ৰফী আৰু শ্ৰেষ্ঠ খেলুৱৈগৰাকীক সমাজকৰ্মী দেব কুমাৰ বৰাই আগবঢ়োৱা নগদ পোন্ধৰশ এটকা প্ৰদান কৰা হৈছে। উল্লেখ্য যে, আৰম্ভণিতে সদ্যপ্ৰয়াত ৰোলা (ইৰা) ভূঞা, দেবেন বৰুৱাৰ স্মৃতিত বন্তি প্ৰজ্বলন কৰে সুশীলা ভূঞা, বিকি বৰাই।



তৃতীয় এদিনীয়াত নিউজিলেণ্ডক হৰুৱাই অষ্ট্ৰেলিয়াৰ মহিলা ক্ৰিকেট দলৰ খেলুৱৈসকলৰ উল্লাস, সোমবাৰে

## আবেদন কৰা-নকৰাক লৈ ক্ৰীড়া মন্ত্ৰণালয়ৰে বিতৰ্ক

# খেলৰত্ন বঁটাৰ মনোনয়নৰ তালিকাত নাম নাই মনু ভাকেৰৰ

**নতুন দিল্লী, ২৩ ডিচেম্বৰঃ** বিদেশৰ মাটিত পদক জয় কৰি দেশৰ সন্মান বৃদ্ধি কৰাৰ পিছতো ধ্যানচান্দ খেলৰত্ন বঁটাৰ বাবে মনোনয়ন তালিকাত নাম নাই মনু ভাকেৰৰ। পেৰিছ অলিম্পিকত অসাধাৰণ প্ৰদৰ্শন কৰা ভাৰতীয় তাৰকা শ্যুটাৰগৰাকীৰ নাম খেলৰত্ন বঁটাৰ মনোনয়ন তালিকাৰ পৰা বাদ পৰাৰ পিছতে স্তম্ভিত হৈ পৰিছে অনুৰাগীসকল। উল্লেখ্য যে, শেহতীয়া পেৰিছ অলিম্পিকত মনু ভাকেৰে দুটা পদক লাভ কৰে। ইয়াৰ পিছতো ভাৰতৰ সৰ্বোচ্চ ক্ৰীড়া সন্মানৰ তালিকাত তেওঁৰ অনুপস্থিতিয়ে প্ৰশ্ন উত্থাপন কৰিছে। টাইমছ অব ইণ্ডিয়াত প্ৰকাশিত এক বাতৰি অনুসৰি ক্ৰীড়া মন্ত্ৰালয়ে কয় যে খেলৰত্নৰ বাবে মনুৱে আবেদন কৰা নাছিল। আনহাতে মনুৰ পৰিয়ালে দাবী কৰিছে যে তেওঁ আবেদন কৰিছে। এই মতানৈক্যই আৰু অধিক বিভ্ৰান্তিৰ সৃষ্টি কৰিছে। বিগত সময়ত বাছনি সমিতিখনে কোনো খেলুৱৈয়ে আবেদন নকৰিলেও নিজা উদ্যোগত তেওঁৰ নাম সন্নিবিষ্ট কৰি আহিছে। কিন্তু মনুৰ ক্ষেত্ৰত সেয়া নাছিল। আনহাতে, ধ্যানচান্দ খেলৰত্ন বঁটা লাভ কৰা সকলৰ তালিকাত আছে পেৰিছ অলিম্পিকত ব্ৰঞ্জৰ পদক লাভ কৰা হকী অধিনায়ক হৰমনপ্ৰীত সিং আৰু পেৰা অলিম্পিকত হাই জাম্পত স্বৰ্ণ জয় কৰা প্ৰবীণ কুমাৰ। কিন্তু এই তালিকাৰ পৰা মনু ভাকেৰৰ নাম বাদ দিয়াক লৈ অসন্তোষ ব্যক্ত কৰিছে সমৰ্থকসকলে। দুৰ্দান্ত প্ৰদৰ্শনেৰে দেশলৈ গৌৰৱ কঢ়িয়াই অনা মনুক কিয় আওকান কৰা হ'ল তাক লৈও প্ৰশ্নৰ উত্থাপন হৈছে।

# তিতাবৰত সমষ্টি ভিত্তিক ছদিনীয়া খেল মহাৰণৰ সফল সামৰণি

**ই-সংবাদ, তিতাবৰ, ২৩ ডিচেম্বৰঃ** তিতাবৰত ছদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হোৱা খেল মহাৰণৰ অতি উৎসাহজনক পৰিৱেশত আজি সফলতাৰে সামৰণি পৰে। ছদিনীয়া কাৰ্যসূচীত সমষ্টিটোৰ বিভিন্ন প্ৰান্তৰ কেইবাশতাধিক খেলুৱৈৰ মাজত কাবাদী, ফুটবল, দৌৰ, জাম্প আদি খেল অনুষ্ঠিত কৰি ভাল খেলুৱৈসকলক বাছনি কৰা হয়। অতি ভিতৰুৱা গ্ৰামাঞ্চলৰ পৰা ওলাই আহি পদক জিনিবলৈ সক্ষম হোৱা প্ৰতিভাৱান খেলুৱৈসকলৰ উৎসাহ দেখি আয়োজকসকলো যথেষ্ট আনন্দিত হৈ পৰে। আজি পুৱা ৰোড চাইক্লিং আৰু ১৭ বছৰ তলৰ ছোৱালীৰ চূড়ান্ত ফুটবল আৰু ১৭ বছৰ ওপৰৰ ল'ৰাৰ চূড়ান্ত ফুটবল অনুষ্ঠিত হয়। পশ্চিম ঠেঙাল পঞ্চায়ত আৰু ৰজাবাহৰ পঞ্চায়ত দলৰ মাজত অনুষ্ঠিত ফুটবলৰ ফাইনেল খেলখনত পশ্চিম ঠেঙাল দলটো বিজয়ী হয়। প্ৰতিযোগিতাৰ অন্তত ক্ৰীড়া নিৰ্দেশক নিত্যানন্দ শইকীয়াই আঁত ধৰা বঁটা বিতৰণী অনুষ্ঠানত খেল মহাৰণৰ তিতাবৰ সমষ্টি সমিতিৰ সভাপতি পাৰ্থপ্ৰতীম শইকীয়া, যোৰহাট জিলা ক্ৰীড়া বিষয়া ৰাহুল শৰ্মা, তিতাবৰ খণ্ড উন্নয়ন বিষয়া শিখামণি গগৈ, সাংবাদিক অজয় শইকীয়া, সমাজসেৱী প্ৰিয়ংকা ফুকন, অৱসৰপ্ৰাপ্ত অধ্যাপক দিব্যকমল মজুমদাৰ, তিতাবৰ ক্ৰীড়া সন্থাৰ সম্পাদক তৰুণ দত্ত, তিতাবৰৰ পৌৰপতি ৰশ্মি ভট্টাচাৰ্য আদি অতিথি হিচাপে উপস্থিত থাকে। অনুষ্ঠানত বিজয়ী আৰু বিজিত দল, খেলুৱৈসকলক উপস্থিত অতিথি সকলৰ দ্বাৰা মেডেল, ট্ৰফী আদি প্ৰদান কৰা হয়। শেষত এনচিচি ক্ৰেডেটৰ মাৰ্চপাৰ্চেৰে পতাকা অৱনমন কৰা হয়। খেল মহাৰণৰ ছদিনীয়া কাৰ্যসূচীত সক্ৰিয়ভাৱে উপস্থিত থাকি সহযোগিতা আগবঢ়োৱা সকলোকে সংবাদ মাধ্যমৰ জৰিয়তে কৃতজ্ঞতা জ্ঞাপন কৰে সমষ্টি সমিতিৰ সভাপতি পাৰ্থপ্ৰতীম শইকীয়াই।

newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)
কাৰ্যবাহী সম্পাদক ধ্ৰুৱজ্যোতি ধনন্তৰি